## চতুৰ্থ অধ্যায়

# লক্ষ্মীনাথ ফুকনৰ চুটিগল্পত হাস্য-ব্যঙ্গাত্মক চিত্ৰ

লক্ষ্মীনাথ ফুকন মূলতঃ হাস্য-ব্যঙ্গাত্মক গল্প লেখক। ব্যঙ্গ বৰ্জিত গল্পও তেওঁ লিখিছে; তথাপি সকলো গল্পৰ গৰ্ভমূলত দেখা নেদেখাকৈ ব্যঙ্গৰ ছাপ লাগি আছে। সাংবাদিকতাৰ কাম-কাজৰ বাবে ঘূৰি ফুৰা সময়ছোৱাত লাভ কৰা বাস্তৱ অভিজ্ঞতাই তেওঁক গল্প লেখক হ'বলৈ অনুপ্ৰেৰণা যোগায়। ফলত ভিন্ন চৰিত্ৰসম্পন্ন মানুহ, সামাজিক জীৱন পদ্ধতি তথা ৰাজনৈতিক বাতাৱৰণ আদিয়ে সৃষ্টি কৰা আৰ্থ সামাজিক বৈষম্যৰ একোটাহত ছবি গল্পবোৰত অংকিত হোৱা দেখা যায়। তেওঁৰ দ্বাৰা ৰচিত পাঁচখনকৈ গল্পপুথিৰ ভিতৰত 'ওফাইদাং' গল্পপুথিখনৰ গল্পসমূহ সম্পূৰ্ণৰূপে ব্যঙ্গাত্মক। *"পুথিখনত সন্নিবিষ্ট ছটা গল্প বৰ্ত্তমান সমাজৰ ছটা ফালৰ জলন্ত চিত্ৰ। প্ৰত্যেকটো চৰিত্ৰই সেই চিত্ৰৰ সজীৱ মূৰ্ত্তি।"*[১] ছটা গল্পত অংকিত ছটা চৰিত্ৰ হ'ল সমাজৰ ছটা প্ৰান্তৰ একোটা সবল প্ৰতিনিধি। অৱশ্যে তাৰ বাবে গল্পকাৰে সমাজৰ ভিন্ন প্ৰান্তলৈ নিজৰ দৃষ্টি প্ৰসাৰিত কৰিবলগা হৈছে। নিজে লাভ কৰা সকলো তথ্য বা চিত্ৰৰ মাজৰ পৰা বাচনি কৰি 'ওফাইদাং'ৰ গল্পৰ জৰিয়তে কেৱল *"আভিজাত্যৰ বোল থকা আৰু নিম্ন মধ্যবিত্ত সমাজৰ ব্যক্তিৰ চৰিত্ৰবোৰ এটি হাঁহিৰ দৃষ্টিৰে বিশ্লেষণ"*[২] কৰিছে। মন কৰিবলগীয়া যে সমাজ বোলোতে গল্পকাৰে ভিতৰুৱা কোনো গাঁৱলীয়া সমাজক উক্ত ছটা গল্পৰ পটভূমি হিচাপে লোৱা নাই; বৰং নগৰীয়া নিম্ন মধ্যবিত্তৰ মাজৰ পৰাহে চৰিত্ৰবোৰ চয়ন কৰিছে। উল্লেখ্য যে 'ওফাইদাং'ৰ অন্তৰ্গত গল্পকেইটাৰ উপৰিও আন গল্পতো ব্যঙ্গৰ চিটিকণি অলপ-অচৰপ পোৱা গৈছে। সেই গল্পকেইটাকো উল্লিখিত অধ্যয়নৰ জৰিয়তে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ব।

### ৪.১ অসমীয়া হাস্য ব্যঙ্গ চুটিগল্পৰ এক আভাস ঃ

অসমীয়া চুটিগল্পত হাস্য-ব্যঙ্গৰ সংযোজন ঘটোৱা গল্পকাৰগৰাকী হ'ল লক্ষ্মীনাথ বেজবৰুৱা। প্ৰচুৰ জাতীয়তাবোধ আৰু মানৱতাবাদৰ ফলত গল্পকাৰৰ মনত সৃষ্টি হোৱা যি কল্যানকামী চেতনা,

১। ডক্তৰ বাণীকান্ত কাকতিৰ চিঠি, ওফাইদাং

২। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৩০৩

সিয়ে মানুহৰ আৰ্থ সামাজিক জীৱনবোধক নতুন দৃষ্টিৰে চাবৰ বাবে অৱকাশ দিয়ে। ফলত স্বৰচিত গল্পসমূহৰ জৰিয়তে বেজবৰুৱাই কথাৰ 'না'বোৰক 'হা' লৈ প্ৰত্যয়েৰে ৰূপান্তৰ কৰি এক ব্যঙ্গাত্মক ধাৰাৰ জন্ম দিয়ে। অসমীয়া সাহিত্যত ব্যঙ্গাত্মক গল্পৰ শিতানটো বহু বৈচিত্ৰপূৰ্ণ নহয় বা এই শ্ৰেণীৰ গল্পৰ সংখ্যা বহু বেছি নহয়। তথাপি যিখিনি আছে তাৰ মাজতে লিখকৰ অসাধাৰণ প্ৰতিভা দৃষ্টিগোচৰ হয়। কিয়নো এইধৰণৰ গল্পৰ বাবে কোনো জোৰ জবৰদস্তি নাই। কলমৰ সামান্যতম অমনোযোগিতাই গোটেই লেখাটোক আৱৰ্জনালৈ ৰূপান্তৰিত কৰিব পাৰে। গতিকে অধিক সচেতনতা হাস্য-ব্যঙ্গাত্মক গল্প ৰচনাৰ বাবে অতীৱ প্ৰয়োজনীয় কথা। মন কৰিবলগীয়া যে ইমান দিনে হাস্য-ব্যঙ্গৰ বৃহৎ এলেকাটো বেজবৰুৱাই অকলে আগুৰি ৰাখিছে। সেইবুলি অসমীয়া সাহিত্যৰ বিশাল ক্ষেত্ৰখনত আন গল্পকাৰসকলে যে এই ধাৰাৰ চৰ্চা কৰা নাই তেনে নহয়। দৰাচলতে, *"এটা সময়ত প্ৰতিজন লেখকেই ব্যঙ্গাত্মক লেখাৰ প্ৰতি ঢাল খায়। পিছে অধিকাংশ লেখকেই যোগ্যতাৰ অভাৱত অথবা মেথুৎ আৰ্ণল্ডে কোৱাৰ দৰে (The high seriousness which comes from absolute sincerity) ৰ অভাৱত এই ধাৰাৰ লেখাৰ ক্ষেত্ৰত ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰা হয়।"*[৩]

অসমীয়া গল্প সাহিত্যত অবিসম্বাদী হাস্য-ব্যঙ্গ গল্পকাৰ হ'ল লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ গল্পৰ ভাৱবস্তু অসমৰ মাটিৰ পৰশেৰে জীপাল। বিষয়বস্তুলৈ চালে দেখা যায় যে সাধুকথা আৰু গল্পৰ মাজৰ সীমাৰেখাডাল প্ৰায়ে অস্পষ্ট। তথাপি সাধুকথাই হওঁক বা চুটিগল্পই হওঁক তেওঁৰ লিখনিৰ মূল চালিকা শক্তি হ'ল হাস্য আৰু ব্যঙ্গ। চিৰিয়াছ বিষয়ৰ অৱতাৰণা অৱশ্যে নোহোৱা নহয়, তথাপি সেয়া হাস্য-ব্যঙ্গৰ চিটিকনিৰে সংপৃক্ত। এইক্ষেত্ৰত তেওঁ ভল্টেয়াৰ, জোনাথন চুইফট, চাৰভেনটিজ আদিৰ দ্বাৰা কিছু পৰিমাণে প্ৰভাৱিত। হাস্য-ব্যঙ্গাত্মক গল্প লিখাৰ ক্ষেত্ৰত বেজবৰুৱাক সততে উৎসাহ যোগোৱা কাৰকসমূহৰ ভিতৰত উল্লেখযোগ্য কিছুমান হ'ল- নতুন অভিজাত শ্ৰেণীৰ বৃটিছ তোষামোদৰ ধৰণ-কৰণ, ভুৱা সমাজসেৱী-দেশপ্ৰেমীক, সাধাৰণ মানুহৰ ভুল ত্ৰুটি আৰু মুদ্ৰা-দোষ, ভুৱা আচাৰ-পদ্ধতি, কুসংস্কাৰ আৰু পৰম্পৰা আদি। এই সকলোবোৰৰ মূলতে আছে গল্পকাৰৰ প্ৰচুৰ জাতীয়তাবোধ। স্বজাতিৰ ভুল-ত্ৰুটি দেখুৱাই দি তাক সংস্কাৰিত কৰণৰ সৰল প্ৰয়াস গল্পকাৰৰ ৰচনাৰ মাজত সততে লক্ষ্য কৰা যায়। তেওঁৰ দ্বাৰা ৰচিত 'মাউৰা',

৩। পূৰ্ণ শইকীয়া, 'অসমীয়া হাস্য-ব্যঙ্গ চুটিগল্পৰ ধাৰা', অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিৱৰ্তন, সম্পা., অপূৰ্ব বৰা, পৃ. ৬৯১

‘ভেমপুৰীয়া মৌজাদাৰ’, ‘ভোকেন্দ্ৰ বৰুৱা’, ‘মূলা খোৱা বুঢ়া’, ‘ঘৰ পতা ককা’, জগৰা মণ্ডলৰ প্ৰেমাভিনয়’ আদি গল্পয়ে ইয়াৰ প্ৰমাণ। ইয়াৰ উপৰিও তেওঁৰ চুটিগল্পৰ এটা অংশই বুদ্ধিদীপ্ত ব্যঙ্গকো ধৰি ৰখা পৰিলক্ষিত হয়।

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ পটভূমি বুলিলে মূলতঃ দুখনকৈ বিশ্বযুদ্ধ, উপনিৱেশৰ কলা ছায়া, স্বাধীনতা আন্দোলনৰ ঢক্কা নিনাদ, ধৰ্মীয় আৰু সামাজিক কুসংস্কাৰৰ প্ৰাবল্য, অৰ্ধ সামন্তবাদী সমাজ ব্যৱস্থাৰ নতুন ৰসায়ণ আদিয়ে প্ৰধান। তেওঁৰ গল্পৰ সকলো চৰিত্ৰ গ্ৰাম্য জীৱনৰ পৰা বুটলি লোৱা যদিও নগৰীয়া জীৱন ধাৰণৰ প্ৰতিও তেওঁৰ ধাউতি প্ৰৱল। সেইবাবে তদানীন্তন অসমৰ মানুহৰ জীৱন যাপনৰ সকলো কথা বেজবৰুৱাৰ নখ দৰ্পনত বৰ্তমান।

বেজবৰুৱাৰ পৰৱৰ্তী আন এগৰাকী হাস্য-ব্যঙ্গাত্মক গল্পকাৰ হ'ল হলিৰাম ডেকা। বুদ্ধিদীপ্ত ব্যঙ্গৰ বাবে হলিৰাম ডেকাৰ গল্প বেচ আকৰ্ষণীয়। বিশেষকৈ সমসাময়িক সমাজ-সামগ্ৰিকতাৰ ৰূপদান কৰাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা ব্যঙ্গই হলিৰাম ডেকাৰ গল্পক সাৰ্থকতা প্ৰদান কৰা দেখা যায়। তেওঁৰ দ্বাৰা ৰচিত ‘বিয়া-বিভ্ৰাত’, ‘যোদ্দাৰ’, ‘পৰ্বতৰ টিঙৰ বঙলা ঘৰ’ আদি গল্পই এই কথাৰ প্ৰমাণ বহন কৰে। উল্লেখ্য যে পোনপতীয়া আৰু সৰল বৰ্ণনাভঙ্গীৰে হলিৰাম ডেকা হ'ল বেজবৰুৱাৰ পৰৱৰ্তী সাৰ্থক ব্যঙ্গ ৰচক।

হাস্য-ব্যঙ্গ গল্প ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা আন এগৰাকী গল্পকাৰ হ'ল মহিচন্দ্ৰ বৰা। ব্যঙ্গ ৰচনাৰ ক্ষেত্ৰত বেজবৰুৱাৰ সতে তেওঁৰ দৃষ্টিভঙ্গী প্ৰায় একে। সংস্কাৰকামী মনোভাৱ আৰু উদাৰনৈতিক মানৱতাবাদৰ দ্বাৰা উদ্বুদ্ধ হৈ বেজবৰুৱাৰ দৰে বৰায়ো গল্পৰ জৰিয়তে ব্যক্তি তথা সমাজৰ কদৰ্যতাৰ প্ৰতি ব্যঙ্গ কৰিছে। তথাপি ব্যঙ্গৰ প্ৰকৃতিৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱা আৰু মহীচন্দ্ৰ বৰাৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গ যদি হাস্য সংযুক্ত, মহীচন্দ্ৰ বৰাৰ ব্যঙ্গ হাস্য বিবৰ্জিত। হাস্য সংযুক্ত হওঁক বা বিবৰ্জিতয়ে হওঁক— মহীচন্দ্ৰ বৰাৰ গল্পই সমাজৰ স্বাৰ্থপৰতা, নীচতা আৰু ভণ্ডামীক ভিন ভিন চৰিত্ৰৰ মাধ্যমত ৰূপদান কৰিছে। চৰিত্ৰবোৰ আকৌ দুটা বহল ভাগত বিভক্ত। এটা ভাগ হ'ল স্বাৰ্থলোভী ভণ্ড আৰু আনটো হ'ল দলিত পীড়িত সাধাৰণ মানুহ। মহীচন্দ্ৰ বৰাৰ ব্যঙ্গ গল্পসমূহৰ ভিতৰত ‘কেৰাণীৰ কপাল’, ‘অব্যয়’, ‘উকীলৰ আপদ’, ‘অসাৰে খলু সংসাৰ’, আদি অন্যতম।

হাস্য-ব্যঙ্গ গল্পৰচক হিচাপে সমাদৃত এজন গল্পকাৰ হ'ল লক্ষ্মীনাথ ফুকন। বাঁহী, আৱাহন

আৰু জয়ন্তী আলোচনীৰ যোগেদি গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰি ফুকনে সমাজ সংস্কাৰৰ চেতনাকে মূৰ্ত কৰি তুলিছে। 'ওফাইদাং' গল্পপুথিৰ অন্তৰ্গত গল্পকেইটাৰ মাজেৰে লক্ষ্মীনাথ ফুকনে মানুহৰ চৰিত্ৰৰ বিশিষ্টতাক হাস্য-ব্যঙ্গ আৰু শ্লেষৰ যোগেদি ব্যাখ্যা কৰিছে। যথাস্থানত এই বিষয়ে আলোচনা কৰিবলৈ যত্ন কৰা হ'ব।

'আৱাহন যুগ'ৰ এগৰাকী ব্যঙ্গ গল্পকাৰ বীণা বৰুৱা। তেওঁৰ গল্পত গাঁৱলীয়া আৰু নগৰীয়া উভয় পৰিবেশ চিত্ৰিত হৈছে। সামাজিক সচেতনতাৰে বীণা বৰুৱাই সমাজৰ সকলো অশুভ দিশক এফাল কৰি ব্যঙ্গ কৰিছে। অৱশ্যে এই ব্যঙ্গবোৰ গল্পকাৰৰ দ্বাৰা কৰা প্ৰত্যক্ষ ব্যঙ্গ নহয়; বৰং চৰিত্ৰই নিজে নিজৰ তৰাং মানসিকতাক অজ্ঞাতসাৰে কৰা ব্যঙ্গহে। এয়া অৱশ্যে লেখকৰ সৃজনশীলতাৰে নিদৰ্শন। মন কৰিবলগীয়া যে 'পট পৰিবৰ্তন' আৰু 'আঘোণী বাই' দুয়োখন সংকলনে গল্পকাৰৰ জীৱনৰ দুটা স্তৰৰ ভিন্ন দৃষ্টিভঙ্গীৰ পৰিচয় বহন কৰে । এগৰাকী সাংস্কৃতিক গৱেষক হোৱা বাবেহে হয়তো তেওঁৰ দ্বাৰা সৃষ্ট চৰিত্ৰসমূহে মানুহৰ সাংস্কৃতিক ৰুচিবোধক এনেদৰে ব্যঞ্জিত কৰিব পাৰিছে— এয়াই গল্পকাৰৰ সাৰ্থকতা।

'আৱাহন যুগ'ৰ এগৰাকী ব্যঙ্গ গল্প লিখক হ'ল ত্ৰৈলোক্য নাথ গোস্বামী। বাস্তৱবাদী লিখক হিচাপে তেওঁ দুৰ্বল সমাজ তথা ব্যক্তিজীৱনৰ কপট আচৰণক মৃদু আৰু নম্ৰ ব্যঙ্গৰে আঘাত কৰিছে। পৰৱৰ্তী পৰ্যায়ত অৱশ্যে আন এক আশাব্যঞ্জক দৃষ্টিভঙ্গীৰে নতুন যুগৰ আগমনৰ বাবে বাট চাইছে। সত্ৰীয়া সমাজখনৰ উপৰিও মহন্ত, সন্নাসী আৰু পূজাৰী শ্ৰেণীৰ ভেম ভণ্ডামীকো তেওঁ ব্যঙ্গ বিদ্ৰূপ কৰিছে। এনে গল্পৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল 'পতিত আৰু পতিতা', 'বিধবা', 'প্ৰতিক্ৰিয়া'আদি। মন কৰিবলগীয়া যে হাস্য-ব্যঙ্গৰ প্ৰয়োগ থাকিলেও তেওঁৰ ভাষা সংযত। দৰাচলতে *"সমাজত থকা কলুষ, কালিমা, ভেম, ভণ্ডামিৰ স্বৰূপ তেওঁ ভালদৰে চিনি পাইছিল আৰু এইবোৰক তেওঁ নিজ অভিজ্ঞতাৰ কষটি শিলত পৰীক্ষা কৰি ফুটাই তুলিছে।"*[৪]

যুদ্ধোত্তৰ যুগৰ এগৰাকী গল্পকাৰ হ'ল মহেন্দ্ৰ বৰঠাকুৰ। 'জয়ন্তী' আলোচনীৰ জৰিয়তে আত্মপ্ৰকাশ কৰা বৰঠাকুৰে আন বহু বিষয়ৰ উপৰিও সমাজ সচেতনতাজনিত কাৰণতো গল্পৰ জৰিয়তে ব্যঙ্গ কৰিছে। এইক্ষেত্ৰত 'খেল' নামৰ গল্পটো উল্লেখযোগ্য। বানপীড়িত ৰাইজৰ মাজত খাদ্যৰ বাবে চলা হাহাকাৰৰ মাজতে বানপীড়িতক সাহাৰ্য দিব খোজা বিভিন্নজনৰ চাৰিত্ৰিক

৪। পৰাগ কুমাৰ ভট্টাচাৰ্য, গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প সাহিত্য, পৃ. ২৪৮

ভণ্ডামী গল্পকাৰে উদঙাই দেখুৱাইছে। তথাকথিত সমাজকৰ্মীৰ নামত বানপীড়িতৰ ওচৰলৈ আহি আত্মস্বাৰ্থ পূৰণ কৰিব খোজা নেতা-পালিনেতাৰ চাৰিত্ৰিক ভণ্ডামিকো গল্পত দাঙি ধৰা হৈছে। উল্লেখ্য যে, গল্পকাৰৰ সময়ানুপাতিক ব্যঙ্গয়ে শেষত গল্পটোৰ মূল আকৰ্ষণ হৈ ধৰা পৰিছে। একেদৰে 'বৰ নামঘৰত দুঃশাসন বধ' গল্পটোত বৰঠাকুৰে সমকালীন ৰাজনীতি আৰু ৰাজনীতিৰ ধ্বজাধাৰীসকলক ব্যঙ্গ কৰি সিবিলাকৰ স্বৰূপ উদ্‌ঘাটন কৰিবলৈ যত্ন কৰিছে।

'ৰামধেনু যুগ'ৰ মাৰ্জিত আৰু ৰুচিবোধসম্পন্ন ব্যঙ্গ গল্পকাৰ এগৰাকী হ'ল শীলভদ্ৰ। কলাৰ গুণ বিশিষ্টতা অক্ষুন্ন ৰাখি ব্যঙ্গ কৰিব পৰাতো শীলভদ্ৰৰ বিশেষ দক্ষতা। 'যুদ্ধোত্তৰ যুগ' বা 'ৰামধেনু যুগ'ত ৰাজনীতিকৰ প্ৰতি ব্যঙ্গ বাণেৰে গল্প ৰচনা কৰা এগৰাকী গল্পকাৰ হ'ল পদ্ম বৰকটকী। তেওঁৰ দ্বাৰা ৰচিত 'অসভ্য' আৰু 'আমাৰ আশাৰ আছে ইতিহাস' শীৰ্ষক গল্পত ৰাজনৈতিক নেতাৰ ভণ্ডামি, চৰিত্ৰহীনতা আৰু প্ৰৱঞ্চনাক নগ্ন বৰ্ণনাৰে ব্যঙ্গ কৰা পৰিলক্ষিত হয়।

যুদ্ধোত্তৰ যুগৰ এগৰাকী সাৰ্থক গল্পলেখক হ'ল মেদিনী চৌধুৰী। ৰাজনৈতিক নেতাৰ ঠগ-প্ৰৱঞ্চনা আৰু চৰিত্ৰহীনতাৰ চিত্ৰণেৰে তেওঁ লিখি উলিয়াইছে 'ইদ্ৰিছ' 'মই আৰু বাবুলাল' নামৰ গল্প। ছাত্ৰনেতাৰ ক্ষয়িষ্ণু চৰিত্ৰ তথা সমাজ, জাতি আৰু নতুন প্ৰজন্মৰ ওপৰত ৰাজনৈতিক নেতাৰ কুপ্ৰভাৱ কিদৰে পৰিছে তাৰেই ছবি উক্ত গল্পত বৰ্তমান। দৰাচলতে উপৰিউক্ত সকলো চৰিত্ৰ চিত্ৰণেৰে ব্যঙ্গ কৰি গল্পকাৰে প্ৰচুৰ সচেতনতাৰ পৰিচয় দিছে।

যুদ্ধোত্তৰ যুগৰ আন এগৰাকী গল্পকাৰ যতীন বৰা। সমাজৰ তথাকথিত বৰমূৰীয়াৰ ভণ্ড স্বভাৱক ব্যঙ্গ কৰি তেওঁ লিখিছে 'সাঁকো' নামৰ এটা গল্প। চুটিগল্পৰ কাৰিকৰী কৌশলৰ প্ৰতি নজৰ ৰাখিও বৰাই সমাজৰ এনে ভণ্ড চৰিত্ৰক ব্যঙ্গ কৰি কৃতিত্ব দেখুৱাব পাৰিছে। মুঠতে, ক'ব পাৰি যে *"যতীন বৰাৰ 'সাঁকো' গল্পটো অসমীয়া ব্যঙ্গ গল্পৰ এক অন্যতম নিদৰ্শনস্বৰূপ। গল্পটোত সমাজৰ তথাকথিত শ্ৰেণীচৰিত্ৰ কিছুমানৰ প্ৰতি কঠোৰ ব্যঙ্গ কৰা হৈছে, কিন্তু পোনপতীয়া নহয়। বাস্তৱ সমাজ জীৱনৰ শুভ আৰু অশুভ, ছাঁ আৰু পোহৰৰ ছবি চিত্ৰণ অতি বাস্তৱধৰ্মী হৈছে আৰু এই বাস্তৱধৰ্মী সমাজ জীৱনৰ চৰিত্ৰ অঙ্কনৰ মাজেদিয়ে ব্যঙ্গবাণ নিক্ষেপ কৰা হৈছে।"*[৫]

'যুদ্ধোত্ত'ৰ বা 'ৰামধেনু যুগ'ৰ পৰা গল্প ৰচনাৰে অসমীয়া সাহিত্যত নিজৰ স্থান নিৰ্মাণ কৰা এগৰাকী গল্পকাৰ হ'ল ৰোহিনী কুমাৰ কাকতি। তেওঁৰ গল্পত সমাজৰ ক্ষয়িষ্ণু মানসিকতা তথা

৫। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ৩৭০

অশুভ শ্ৰেণী চৰিত্ৰৰ দোষ-দুৰ্বলতা আদি চিত্ৰিত হৈছে। ৰোহিনী কাকতিৰ দ্বাৰা ৰচিত ব্যঙ্গ গল্পকেইটামান হ'ল 'মোৰ সাহিত্য সভাৰ ভাষণ', 'এটা গাধৰ সাধু', 'একফাৰ্লং' আদি। নগৰীয়া মধ্যবিত্ত জীৱনৰ ক্লান্তি আৰু শ্ৰান্তি ফুটাই তুলি গল্পকাৰে জীৱন বাস্তৱতা আৰু অখণ্ডতা গল্পত ৰূপদান কৰিছে। বৰ্ণনভঙ্গীৰ সৰলতাৰে তেওঁৰ গল্প অতিকথনৰহিত বাবে সুখপাঠ্য হৈছে।

'যুদ্ধোত্তৰ' বা 'ৰামধেনু যুগ'ৰ শেষৰ পৰা সাম্প্ৰতিকলৈ গল্প ৰচনাৰে এখন শক্তিশালী আসন দখল কৰা গল্পকাৰ ৰিজু হাজৰিকা। তেওঁৰ গল্পত অৰ্থনৈতিক সংকট, শোষণ আৰু মূল্যবোধৰ অৱক্ষয়, ফোঁপোলা মানসিকতাৰ উপৰিও সৰু সৰু মানুহৰ হিয়া পৰশা দুখবোৰ হাস্য মধুৰতাৰে চিত্ৰিত হৈছে। কবলৈ হ'লে *"বেজবৰুৱাৰ হাতত সৃষ্টি হোৱা হাস্য-ব্যঙ্গৰ ধাৰাটোত ৰিজু হাজৰিকাৰ সমান দক্ষতা ৰামধেনু যুগত সম্ভৱতঃ আন লেখকে প্ৰদৰ্শন কৰিব পৰা নাই।"*[৬] তদানীন্তন সমাজ আৰু ৰাজনীতিৰ বিভিন্ন দিশক তেওঁৰ গল্পই সামৰি লৈছে। নগৰত থাকিবলৈ সুবিধা পায় গাঁৱৰ মানুহক ঘৃণা কৰা নাৰীৰ অন্তঃসাৰশূন্য মানসিকতাক ব্যঙ্গ কৰি লিখা 'নবৌৰ কাৰণে বেচেৰা ককাইদেউ', তথাকথিত শিক্ষিতা অথচ বাহিৰৰ খবৰ নাৰাখি ফিতাহি মাৰা ব্যস্ততাক ব্যঙ্গ কৰি লিখা 'সণ্ঢালনি', একেদৰে ৰাজনৈতিক নেতাৰ স্বাৰ্থপৰতা আৰু ভণ্ডামিক ব্যঙ্গ কৰি 'আপুনিতো বন্ধুহে' আৰু মন্ত্ৰীৰ মিছা আশ্বাস দিয়া চৰিত্ৰক ব্যঙ্গ কৰি লিখা 'পূৰ্ণিমা' নামৰ গল্পটোৰে ৰিজু হাজৰিকাৰ কৃতিত্ব প্ৰকাশ কৰিছে। তথাপি এটা কথা ক'ব লাগিব যে *"হাস্য বঙ্গৰ সোঁতত হাজৰিকাই বহু সময়ত উটি গৈ আৰু মূল বক্তব্যলৈ উভতি আহোতে পলম কৰে তাৰ ফলত কেতিয়াবা গল্প আবেদন শুন্য হৈ পৰে।"*[৭] অৱশ্যে বৰ্ণনাত সংযম ৰক্ষা কৰিব পাৰিলে এই দোষ মুক্ত হৈ হাজৰিকাৰ গল্প সৌন্দৰ্যমণ্ডিত হোৱাৰ সুবিধা নোহোৱা নহয়।

সমসাময়িক হাস্য-ব্যঙ্গ গল্প ৰচক হিচাপে নলিনী শৰ্মা আৰু প্ৰণৱ প্ৰাণ ভট্টাচাৰ্যৰ নাম ল'ব লাগিব। ব্যক্তি বিশেষৰ দোষ ত্ৰুটিবোৰ হাস্য-ব্যঙ্গৰে দেখুৱাই দি শৰ্মাই দৰাচলতে সমাজ জীৱনৰ দোষ-ত্ৰুটিবোৰ আঙুলিয়াই দিয়াতহে সাৰ্থক হৈছে। আনহাতে প্ৰণৱ প্ৰাণ ভট্টাচাৰ্যই সমসাময়িক সামাজিক সমস্যা তথা ব্যক্তি জীৱনৰ চিত্ৰ হাস্য-ব্যঙ্গৰ জৰিয়তে প্ৰকাশ কৰি গভীৰ সচেতনতাৰ

---

৬। প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৩৮৮
৭। পৰাগ কুমাৰ ভট্টাচাৰ্য, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৩১৩

উমান দিছে। এওঁৰ প্ৰকাশিত গল্প পুথি দুখন হ'ল 'মামৰ' আৰু 'পাপিষ্ঠ দেৱতা'।

হাস্য-ব্যঙ্গৰে শেহতীয়া গল্প লিখক হিচাপে ভৃংগেশ্বৰ শৰ্মা আৰু ৰাজীব ৰাজকোঁৱৰৰ নাম লব পাৰি। পৰিবৰ্তিত পৰিবেশ তথা সমাজ সামগ্ৰীকতাক অনুধাৱন আৰু পৰ্যৱেক্ষণ কৰি হাস্যমধুৰ ব্যঙ্গৰে সমাজ সচেতনতাৰ ক্ষেত্ৰত ভৃংগেশ্বৰ শৰ্মা অগ্ৰণী। সমাজনীতি, ৰাজনীতি, আইনজীৱীৰ পৰা বুদ্ধিজীৱীলৈকে সকলো দিশৰ ওপৰত পুংখানুপুংখ ব্যাখ্যা আগবঢ়াই শৰ্মাই হাস্য-ব্যঙ্গৰ চৰ্চা অব্যাহত ৰাখিছে। উল্লেখ্য যে তেওঁৰ গল্প মূলতঃ ব্যঙ্গ, শ্লেষ আৰু তীৰ্যকেৰে ভৰ্‌পূৰ্। ইয়াৰ উপৰিও সাম্প্ৰতিক কালৰ বাতৰি কাকত বা অন্যান্য পত্ৰিকাতো কিছু সংখ্যক গল্পকাৰে হাস্য-ব্যঙ্গাত্মক গল্প লেখাৰ প্ৰয়াস কৰা দেখা যায়। তথাপি সাম্প্ৰতিক গল্প চৰ্চাৰ ক্ষেত্ৰখনত হাস্য-ব্যঙ্গৰে গল্প লিখা লোকৰ সংখ্যা অতি সীমিত। যি দুই এক গল্প বা গল্পধৰ্মী ৰচনা পোৱা গৈছে তাতো উৎসাহ আৰু পৰিপক্কতাৰ অভাৱ পৰিলক্ষিত হয়। এনেদৰে আলোচনা কৰিলে দেখা যায় যে হাস্য-ব্যঙ্গ গল্পৰ চৰ্চাত অসমীয়া গল্প সাহিত্য চহকী নহয় অথবা ই এটা ধাৰা হিচাপে চলি থকাও দেখা নাযায়। 'জোনাকী' আলোচনীৰ জৰিয়তে আৰম্ভ হোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ সৰল ব্যঙ্গৰ গতি পৰৱৰ্তী কালত যেন স্তিমিত হ'ল। আজিৰ গল্পকাৰসকলৰ বৃহৎ সংখ্যকে ব্যঙ্গৰ ধাৰণাক সচেতনভাৱে গ্ৰহণ নকৰাটোৱে ইয়াৰ মূল কাৰণ। স্বচ্ছ দৃষ্টিভঙ্গী বা দৃষ্টিৰ অপৰিপক্কতা, উপযুক্ত উৎসাহহীনতা, হাস্য-ব্যঙ্গক তৰল পদাৰ্থ হিচাপে জ্ঞান, ব্যঙ্গৰ চৰ্চাৰে সমাজ সংশোধনৰ সম্ভাৱনাৰ প্ৰতি অসচেতনতা, সাহিত্য সমালোচকৰ দ্বাৰা গ্ৰাহ্যহীনতা তথা এলাগিকৰণ আদিয়ে হাস্য-ব্যঙ্গাত্মক গল্প ৰচনাৰ মাত্ৰা কমোৱা যেন বোধ হয়। অৱশ্যে এজন হাস্য-ব্যঙ্গ গল্পকাৰ হওঁ বুলি কোনোৱে সহজে হ'ব নোৱাৰে। তথাপি তাৰ মাজতো উপৰিউক্ত গল্পকাৰসকলৰ চৰ্চাই পৰিবৰ্তিত জীৱন ধাৰণৰ বোধ আৰু পন্থাক যেন প্ৰতিফলিত কৰিছে। সংখ্যাত সীমিত হ'লেও এই ৰচকসকলৰ ব্যঙ্গই এফালে হাঁহিৰ খোৰাক আৰু আনফালে এটা বেদনাৰ আঘাতেৰে পাঠকক আনন্দ প্ৰদানত যথেষ্ঠ কৃতকাৰ্য হৈছে। আগলৈকে এই পৰম্পৰা অব্যাহত থাকিলে পাঠকৰ চিত্তক আলোড়িত কৰি ইয়ে এদিন অসমীয়া 'হাস্য ব্যঙ্গাত্মক গল্পৰ ধাৰা' ৰসময় কৰি তুলিব। তাৰ বাবে অৱশ্যে বেজবৰুৱাৰ দৰে চিন্তন- মননৰ প্ৰয়োজন আছে বুলিব লাগিব।

### ৪.১.১ ঘোচ্‌খোৰ মানসিকতাৰ প্ৰতি কৰা হাস্য-ব্যঙ্গাত্মক চিত্ৰায়ণ

ঘোচ্‌খোৱা আৰু ঘোচ্ দিয়া একধৰণৰ বিশেষ মানসিক অৱস্থা। ইয়াৰ স'তে কোনো সুবিধা আদায়ৰ কামনা নিহিত থাকে। এই মানসিকতা ন্যস্তস্বাৰ্থ জড়িত আৰু ঠেক গণ্ডীযুক্ত। প্ৰাচীন সমাজৰ পৰা সাম্প্ৰতিকলৈকে সুবিধাবাদী মানুহ কিছুমানে দেখা-নেদেখাকৈ এই ঘোচ্‌খোৰ প্ৰৱণতাক সংক্ৰমিত কৰি ৰাখিছে। সমাজ অংগীভুক্ত প্ৰাণী হিচাপে সদাশয় লিখকে যেতিয়া এইবোৰকে ব্যঙ্গ বিদ্ৰুপেৰে সাহিত্যত স্থান দিয়ে, কলাত্মক আৱেদনেৰে সেয়াই সময়ৰ দলিল হৈ পাঠকৰ মানসপটত ৰৈ যায়। অৱশ্যে পাঠকৰ হৃদয়বৃত্তত ইয়াৰ ছাপ যিমান দীৰ্ঘম্যাদী হ'ব; সাহিত্যিকজন নিজৰ সাহিত্য কৰ্মেৰে সৈতে সিমানে সাৰ্থক হোৱাৰ সুবিধা থাকিব। লক্ষ্মীনাথ ফুকনৰ গল্পত ঘোচ্‌খোৰ মানসিকতাৰ হাস্য-ব্যঙ্গাত্মক চিত্ৰায়ণৰ বিচাৰ বিশ্লেষণেৰে উক্ত কথাৰ প্ৰমাণ সম্ভৱ হ'ব। লক্ষ্মীনাথ ফুকনৰ 'ওফাইদাং' গল্পত ঘোচ্‌খোৰ মানসিকতাক ব্যঙ্গ কৰা হৈছে। সম্পূৰ্ণ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে আনৰ মুখ মচি সুবিধা আদায় কৰা লোক আমাৰ সমাজত বহু আছে। আনহাতে মুখত বৰ বৰ কথা কোৱা আৰু সুবিধা পালে মন্ত্ৰী মহোদয়ৰ নামত টকা খোৱা লোকো নথকা নহয়। এনে মানসিকতা উদঙাই দি গল্পকাৰে বনিয়া গগনমল আৰু অনন্তৰ চৰিত্ৰ অংকন কৰিছে। গল্পটো পঢ়িলে এনে লাগে যে চৰকাৰী কাম পোৱাৰ যোগ্যতা আৰু নীতি নিয়মলৈ বাট নাচায় যিকোনো প্ৰকাৰে কামটো পাবৰ বাবে গগনমলৰ ফন্দি। পাৰিলে প্ৰত্যক্ষভাৱে মন্ত্ৰীকে টকা যাচি সেই সুবিধা তেওঁ ল'লেহেঁতেন, কিন্তু অনন্তৰ সতে মিনিষ্টাৰৰ আত্মীয়তাৰ উমান ধৰিব পাৰি বনিয়া গগনমলে অনন্তক টকা (ঘোচ্) দি সেই লাভৰ আশা ৰাখিছে। দৰাচলতে ঘোচ্ দিয়া আৰু লোৱা মানুহৰ কোনো নীতি নাথাকে। গগনমল আৰু অনন্তৰো এইক্ষেত্ৰত কোনো নীতি নাই। অৰ্থাৎ দিছে বাবে লৈছে আৰু কামটোত গগনমলক সহায় কৰিব নোৱাৰিলেও তাৰৈ অনন্তৰ একো পৰোৱা নাই। এই মানসিকতাকে উদঙাই দি গল্পকাৰে সমাজৰ বাবে ব্যাধি স্বৰূপ 'ঘোচ্' কাৰ্যক তীব্ৰ ব্যঙ্গ কৰিছে।

লক্ষ্মীনাথ ফুকনৰ আন এটা উল্লেখযোগ্য গল্প 'নতুন সুৰ'। গল্পটোত চাহ বাগিচাৰ এচিষ্টেন্ট মেনেজাৰ মাধৱ চন্দ্ৰ বৰুৱাৰ কাৰ্যৰ জৰিয়তে ঘোচ্ দিয়া প্ৰৱণতা দৃষ্টি গোচৰ হয়। মাধৱ চন্দ্ৰৰ এনে প্ৰৱণতা মূলতঃ পদোন্নতি লাভৰ বাবে জাগি উঠা। আত্মস্বাৰ্থ চৰিত্ৰাৰ্থ কৰিবৰ বাবে ওপৰৱালাক খুচ্ কৰা আৰু তাৰ বাবে লাগিলে নিজৰ স্বকীয়ত্ব জলাঞ্জলি দি উদ্দেশ্য প্ৰাণোদিতভাৱে আপ্যায়ণ

কৰোৱাটোও একপ্ৰকাৰ ঘোচ্‌ৰ সমকক্ষ। পোনপতীয়াভাৱে টকা-পইচাৰ লেন-দেন চলা নাই যদিও মাধৱচন্দ্ৰ বৰুৱাই বাগিচাৰ নতুন মালিক ৰতনমল বাবুক ভুলাবলৈ তেনে কাৰ্যকে সম্পাদিত কৰিছে। সাতামপুৰুষীয়া অসমীয়া সাজ এৰি কোনোবাদিনাই চাহাব হোৱা মাধৱচন্দ্ৰই এইবাৰ ছেৰোৱানী পাইজামা আৰু মূৰত গান্ধী টুপি পিন্ধিছে। আনকি *"ৰতনমল বাবুৰ লগত কলিকতাৰ পৰা অহা আধা-বাবু আধা-চাকৰ মানুহটোৰ পৰা সকলো সুধি-পুচিয়েই খোৱা-বোৱাৰ দিহা"* [৮] কৰিছে। এই সকলোবোৰৰ মূলতে হ'ল ৰতনমলক ভালৰি লগাই বাগিচাৰ মেনেজাৰ হোৱা আৰু নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰা। সঁচা আত্মীয়তাৰ সলনি কৃত্ৰিম ভালপোৱাৰে স্বাৰ্থপূৰণৰ এনে মানসিকতাৰ স্বৰূপ সকলোৰে আগত উদঙাই দি গল্পকাৰে ঘোচ্ দিয়া আৰু লোৱাৰ প্ৰৱণতাকে ব্যঙ্গ কৰিছে।

লক্ষ্মীনাথ ফুকনৰ 'অসম নাট্যম' গল্পতো ঘোচ্‌খোৰ মানসিকতাক ব্যঙ্গ কৰা হৈছে। গল্পটোৰ এটা আধাৰ চৰিত্ৰ পৰিমলৰ আগত ঘোচ্‌খোৰৰ অকাট্য যুক্তি প্ৰদৰ্শন কৰোৱাই তেনে যুক্তিৰ ফোঁপোলা স্বৰূপক গল্পকাৰে দাঙি ধৰিছে। এনেয়েও দেখা যায় যে কোনো লোকে সচেতনভাৱে কৰা ভুলৰ সপক্ষে হেজাৰ যুক্তি মজুত কৰি ৰাখে। কোনোবাই সেয়া দেখুৱাই দিব খুজিলে আকৌ ভুল কাৰ্য কৰাজনেহে ওলোটাই নিজৰ মত বুজাবলৈ উঠি পৰি লাগে। গল্পটোতো এয়াই হৈছে। পৰিমলৰ নবৌয়েকৰ দেউতাক আছিল এগৰাকী পুলিচ চুপাৰিন্টেণ্ডেন্ট। তেওঁৰ পুতেক চেক্ৰেটাৰী নে আণ্ডাৰ চেক্ৰেটাৰী হোৱাৰ উমান পায় হনুমন্ত সিংহই পৰিমলৰ শহুৰ দেউতাকৰ বাবে প্ৰায়ে খোৱা বস্তু পঠিয়ায়। এয়া যে একপ্ৰকাৰ খোচ্, সেয়া পৰিমলে শহুৰ দেউতাকৰ দৃষ্টিগোচৰ কৰোৱাইছে যদিও এই ঘটনাত বুঢ়াই আঁচৰিত হোৱা দেখা নাযায়। তেওঁৰ মনোভাৱ হ'ল যে নিজে ঘোচ্ লৈ ধৰা নপৰাকৈ অৱসৰ পালে যেতিয়া পুতেক ধনঞ্জয়ে নোৱাৰিবনে? অৱশ্যে পাৰিব বুলিয়ে বুঢ়াৰ দৃঢ় বিশ্বাস। বুঢ়াৰ কথা হ'ল *"চৰকাৰী বিষয়াই পালে ভেটি নাখায় বুলি কোনেও বিশ্বাস নকৰে। এনেয়েও বদনাম যেতিয়া, ভেটি লৈয়ে বদনামৰ ভাগী হোৱাটো ভাল। বিশেষকৈ, যেতিয়া ভেটি লৈ অভাৱ অনাটন গুচাই নিজৰ সুবিধা কৰি লব পাৰি।"* [৯] অৱশ্যে এনে কাৰ্যৰ বাবে লটি ঘটি হোৱাৰ সম্ভাৱনা নথকা নহয়। কিন্তু শহুৰেকে তেনে কথা মানিব

৮। লক্ষ্মীনাথ ফুকন, 'নতুন সুৰ', ওফাইদাং, পৃ. ৪৪
৯। লক্ষ্মীনাথ ফুকন, 'অসম নাট্যম', আনন্দে নধৰে হিয়া, পৃ. ১৭৩

নোখোজে। তেওঁৰ কথা হ'ল *"যি মূৰ্খ, যি অকামিলা, যি বুৰ্বক তাৰ লটিঘটি হ'ব পাৰে। আনবিলাকৰ হ'ব কেলেই?"*[১০]

ঊনবিংশ শতিকাৰ ন-শিক্ষিত অথবা ন-ধনৱানৰ মন মগজুত অৰ্থৰ লালসা যে বৃদ্ধি পাইছিল সেয়া নিশ্চিত। আনহাতে প্ৰয়োজনত নীতি বহিৰ্ভূতভাৱে অৰ্থ সংগ্ৰহৰ সুবিধাও যে তেওঁলোকে গ্ৰহণ কৰিছিল, হাস্য-ব্যঙ্গৰ মাজেদি গল্পকাৰে তাকেহে দেখুৱাইছে।

ঘোচ্‌খোৱাতো এটা মানসিক অৱস্থা। হাতে হাতে টকা নল'লেও 'লখিমী' গল্পৰ বামুণ দ্ৰোণকান্ত শৰ্মাই এনে এটা মানসিকতাকে যে ধাৰণ কৰি ফুৰে তাৰ প্ৰমাণ গল্পটোত পোৱা যায়। মুছলমান জীয়ৰী লখিমী হিন্দুৰ বোৱাৰী হ'লেও দুৰ্গা গোসাঁনীক সেৱা কৰিবলৈ যোৱাত বামুণে বাধা প্ৰদান কৰিছে। পিছে লখিমীৰ শহুৰ দেউতাক পদ্মকমলে আগৰ কীৰ্তি কাহিনী ৰাজহুৱা কৰাৰ ভয়ত বামুণ দ্ৰোণকান্তই লখিমীক সেৱাৰ সুবিধা পুনৰায় প্ৰদান কৰিছে। এইক্ষেত্ৰত পদ্মকমলৰ পৰা ভেটি ললে নেকি বুলি চন্দ্ৰপ্ৰসাদে শুধিলত, তিনিশ টকা সৰকোৱাৰ কথা তেওঁ স্বীকাৰ কৰিছে। কাৰ্যতঃ টকা বামুণে লোৱা নাই যদিও চন্দ্ৰপ্ৰসাদে এই প্ৰশ্নটো লৈ যাতে পদ্মকমলৰ ওচৰ নাপায়, তাৰ বাবে তৎপৰতাৰে বিষয়টো বন্ধ কৰিব খুজিছে। প্ৰশ্ন হয় যে, আগে-পিছে সুবিধা পালে টকা লোৱাৰ অভ্যাস নাথাকিলে বামুণ দ্ৰোণকান্তই এই প্ৰশ্নৰ উত্তৰটো বেলেগকৈ দিলেহেঁতেন। আনহাতে, চন্দ্ৰপ্ৰসাদেও কোনো দুৰ্বলতা নেদেখাকৈ বামুণক এনে প্ৰশ্ন কৰি বিপদত নেপেলালেহেঁতেন। গতিকে গল্পকাৰে কৌশলেৰে দেখা নেদেখাকৈ বামুণৰ এই মানসিকতা উদঙাই দি হাস্য-ব্যঙ্গাত্মক পৰিবেশ সৃষ্টি কৰিছে।

### ৪.১.২ জাতীয় আৰু সামাজিক অনুষ্ঠানৰ প্ৰতি কৰা ব্যঙ্গাত্মক চিত্ৰ

জাতীয় আৰু সামাজিক অনুষ্ঠানে স্বকীয়ত্ব ৰক্ষা কৰি আগবঢ়াৰ ক্ষেত্ৰত এটা জাতিক সহায় কৰে। বহুসময়ত সামাজিক আৰু জাতীয় অনুষ্ঠানৰ ৰূপৰেখাৰেই জাতিটোৰ ৰেহ-ৰূপ ওলাই পৰে। কিন্তু জাতীয় বা সামাজিক অনুষ্ঠানৰ লগত জড়িতসকলৰ চৰিত্ৰ যদি বিপথগামী হয়, তেতিয়া হ'লে জাতিৰ ঐতিহ্য আৰু সত্তা সংকটাপন্ন হোৱাটো স্বাভাৱিক। আধুনিক সমাজৰ এনেবোৰ কথালৈ লক্ষ্য কৰিয়ে গল্পকাৰ লক্ষ্মীনাথ ফুকনে সামাজিক- সাংস্কৃতিক ক্ষেত্ৰৰ কলুষ-

১০। লক্ষ্মীনাথ ফুকন, 'অসম নাট্যম', আনন্দে নধৰে হিয়া, পৃ. ১৭৪

কালিমা সকলোৰে আগত উদঙাই দিছে। অসমৰ জাতীয় আৰু সামাজিক অনুষ্ঠানৰ নামত কৰা ব্যঙ্গাত্মক চিত্ৰায়ণৰ ক্ষেত্ৰত লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত 'বিহু সন্মিলন' গল্পটোৰ নাম ল'ব লাগিব। উক্ত গল্পৰ জৰিয়তে নপতা ফুকনৰূপী তথাকথিত আধুনিকা আৰু স্বয়ম্ভু সংগঠনৰ নেত্ৰীক ব্যঙ্গ কৰা হৈছে। জাতীয় অনুষ্ঠান পাতি যিমানে সংস্কৃতিবান নেদেখুৱাওক কিয়, এনে নাৰীয়ে সমাজ সেৱাৰ নামত ঘৰ-সংসাৰলৈ পিঠি দিয়া দেখা যায়। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে জহাই ফুৰা বাহ্যিকতা আৰু স্বাৰ্থপৰতাৰে সমাজ সেৱা কৰা দেখুৱাই সুবিধাবাদী কৰ্ম কাণ্ড অব্যাহত ৰাখে। তেনে তিৰোতাৰ পতিয়ে ঘৰত ভাত ৰান্ধে, ল'ৰা নিচুকায়। সংস্কৃতিৰ কাম কাজত আত্মনিয়োগ কৰিও তেনে মহিলাই পতিদেৱক চাকৰ হেন জ্ঞান কৰে। 'বিহু সন্মিলন'গল্পৰ বিচিত্ৰময়ী ঠিক এনে এগৰাকী মহিলা। নিজৰ চতুৰালি খটুৱাই বিহুৰ নামত সকলোৰে পৰা চাঁদা সংগ্ৰহ কৰিলেও তেওঁ সংগৃহিত টকা বিহু উৎসৱত খৰছ নকৰি নিজলৈ ৰাখে। মন্ত্ৰী আহিব বুলি কৈ চাঁদা সংগ্ৰহ কৰা তেওঁৰ ফন্দিৰ পৰা হুকুমচান্দ বেপাৰীও সাৰি যাব নোৱাৰে। বিহু উৎসৱক সাংস্কৃতিক বোল দিবলৈকে পাঁচখনকৈ তিলপিঠা ঘৰত বনাই অনাৰ তেওঁ প্ৰস্তাৱ ৰাখে। তাকো যদি নোৱাৰে গিৰিয়েকৰ হতুৱাই পিঠা গুৰি খুন্দি হ'লেও পাঁচখন পিঠা আনিবলৈ ময়ুৰভঙ্গীক তেওঁ উপদেশ দিয়ে। ইমানে নহয়, আনৰ টকাৰে সবাহ পাতি বিচিত্ৰময়ীৰ দৰে মহিলাই সকলোকে আভুৱা ভাঁৰে। বিহু সন্মিলন শেষ কৰি আন বহুতৰ লগতে হুকুমচান্দ বাবুকো তেওঁ শলাগৰ শৰাই বেলেগে দিবলৈ নাপাহৰে। হুকুমচান্দৰ দৰে মানুহৰ ধনেৰে বিহু পাতি বিচিত্ৰময়ীয়ে দেখ দেখকৈ তিনিশ টকা লাভ কৰাৰ কায়দা জানে বাবেই গিৰিয়েককো দিহা দি তেওঁ কয়—

> *"আপুনি ওকালতিৰ লগতে কিবা সভা-সমিতি এখনৰ ঘাই সম্পাদক হৈ নলয় কিয়? নতুনকৈ মহাসভা বা মহাসন্মিলন এখনকে পাতি লব পাৰে দেখোন। ভালকৈ পাতি লব পাৰিলে পইচা আছে জানিছে? সভা সন্মিলন বুলিলে বৰঙণি আৰু আপুনি কাৰ পৰা কিমান বৰঙণি আদায় কৰিলে মানুহে চাই থাকিবনে? হিচাবটো ঠিক কৰি ৰাখিব মাথোঁন, লাগিলে ময়ে শিকাই দিম।"* [১১]

বিহু সন্মিলন পাতি বিহুৰ স্বৰূপ ব্যাখ্যা কৰিব পৰা লোকৰ ক্ৰমাগত অভাৱে এটা জাতিৰ দুৰাৱস্থাকে প্ৰতিভাত কৰে। তথাকথিত বিদ্যান লোকৰ দ্বাৰা প্ৰদত্ত অপব্যাখ্যাই বিহুৰ দৰে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ

১১। লক্ষ্মীনাথ ফুকন, 'বিহু সন্মিলন', ওফাইদাং, পৃ. ৮৩

মৰ্যাদা ভালেখিনি লাঘৱ কৰিব পাৰে। গন্ধমাদন তহবিলদাৰৰ দ্বাৰা প্ৰদত্ত বিহুৰ স্বৰূপ ব্যাখ্যাকাৰী ভাষণে ইয়াৰ প্ৰমাণ। গন্ধমাদনৰ ভাষণত প্ৰকাশ পোৱা বিহুৰ স্বৰূপ এনেধৰণৰ-

> *"বিহঙ্গমৰ পৰা বিহু শব্দটো নোলোৱা হ'লে বিহুত আমাৰ মনে উৰোঁ উৰোঁ নকৰিলেহেঁতেন, আমি সকলোৱেই ইমান মুকলিমূৰীয়া নহলোহেঁতেন। আপোনালোকে সুধিব পাৰে বিহঙ্গমৰ পৰা বিহ হে হ'ব লাগিছিল, বিহু হ'ল কেনেকৈ? এই উটো কেনেকৈ লাগিল? উত্তৰ নিচেই সহজ। এই উটো লাগিল কুলিৰ কু-উ-উৰ পৰা।"*[১২]

ইয়াৰ উপৰিও আন নাৰী চৰিত্ৰ— ময়ুৰভঙ্গী দেৱী বা যৌৱন বিলাসিনী দেৱীৰ কথা-কৰ্মেৰেও গল্পকাৰে হাস্যৰসৰ যোগান ধৰিছে।

তথাকথিত সাংস্কৃতিক পৰম্পৰাৰ প্ৰতি ব্যঙ্গ কৰি লিখা আন এটি গল্প হ'ল 'সংগীত সন্মিলন'। আধুনিক সভ্যতাই গ্ৰাস কৰা সমাজত পৰম্পৰাগত সাংস্কৃতিক সম্ভাৱনাবোৰ সদায়ে সংকটাপন্ন। অৰ্থ আৰু পদৱীৰ লালসাই এচাম মধ্যভোগীক আকৃষ্ট কৰাৰ বাবে অসমীয়াৰ বাপতি সাহোন স্বৰূপ জাতীয় অনুষ্ঠানসমূহ কিদৰে বিজতৰীয়া হৈ পৰিল, উক্ত গল্পটোত তাকে বংগ কৰি দেখুওৱা হৈছে।

আমাৰ সমাজত এনে বহু লোক আছে, যিয়ে সংগীত বা সংস্কৃতিৰ আচল অৰ্থ নাজানে অথচ সামাজিক বা সাংস্কৃতিক কোনো অনুষ্ঠানৰ সভাপতি বা সম্পাদক হ'বৰ বাবে হেতা-ওপৰা কৰে। ব্যক্তিগত স্বাৰ্থ পূৰণেৰে নিজক জাহিৰ কৰিব খোজা তেনে লোকক ব্যঙ্গ কৰি গল্পকাৰে মদন মাধৱ বৰুৱাৰ চৰিত্ৰ অংকন কৰিছে। কথাত নোমটেঙৰ অথচ অভিভাষণ ভুলকৈ মাতি তেওঁ যশস্যা বোলায়। অনুষ্ঠান চলাবৰ নামত অধিক ধনৰ আশা কৰি মন্ত্ৰী-মহোদয়ক পৃষ্ঠপোষক কৰিব খোজে। কাৰ্যতঃ বিমুখ হোৱাত নিজৰ চাতুৰীৰে বনিয়া কুন্দনমলক ফন্দিত পেলায়। দৰাচলতে তোষামোদ আৰু শিয়াল বুদ্ধিৰে মদন মাধৱে সংগীত সন্মিলনিৰ বাবে প্ৰয়োজনীয় অৰ্থ ঠিকেই সংগ্ৰহ কৰে; কিন্তু অভিভাষণ পাঠ কৰিবৰ সময়তহে নিজৰ অল্পজ্ঞানৰ স্বৰূপ ওলাই পৰে। সেইবুলি আনে সেই ভুল দেখুৱাই দিলেও হাৰ মনা বিধৰ লোক তেওঁ নহয়। গতিকে 'বাৰমাহী গীত'ক 'বৰমাহী' বোলাৰ প্ৰসঙ্গটো নন্দিতাই উত্থাপন কৰিলত, মদন মাধৱৰ স্পষ্ট উত্তৰ হ'ল-

---

১২। লক্ষ্মীনাথ ফুকন, 'বিহু সন্মিলন', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৯০

*"মইতো একো ভুল কোৱা নাই। বাৰজনী মাহী থাকিলে বৰমাহী থাকিবই।*

*সেইটো কথা সৰু ল'ৰা এটায়ো বুজে।"*[১৩]

এনেদৰে ফিতাহি মাৰিলেও মদন মাধৱ বৰুৱাই উক্ত অভিভাষণখন আনৰ দ্বাৰাহে লিখি আনে। আনহাতে সভাত পঢ়িবৰ বেলিকা দাঢ়ি, কমাক অৱজ্ঞাকৰণেৰে আৰু শব্দৰ ভুল উচ্চাৰণেৰে মদন মাধৱে যিদৰে অভিভাষণখন পঢ়িলে, বুজিব পৰা সকলোৰে লাজত ভ্ৰূকুটি কোচ খায় আহিল।

আনৰ পৰা চাঁদা সংগ্ৰহ কৰা আৰু বাহিৰৰ পৰা শিল্পী আনি এগুণৰ ঠাইত দুগুণ কৰি খৰছ কৰা কথাটো এটা জাতিৰ বাবে সমীচীন নহয়। অথচ তথাকথিত সাংস্কৃতিক কৰ্মী কিছুমানে এনে কাৰ্যৰ জৰিয়তে ধনৰ হৰলুকী কৰাৰ সুবিধা লয়। লক্ষ্য কৰিলে দেখা যায় যে সভাৰ সম্পাদক গৌৰীকান্তৰ কাম-কাজত এনে চিন্তাই বৰ্তমান। বাহিৰৰ পৰা আমন্ত্ৰিত শিল্পী নিভাননী চন্দ্ৰিকা আৰু ললিত লবঙ্গলতাক কাজিৰঙা দেখুওৱাৰ নামত গৌৰীকান্তই উভয়কে দিবলগীয়া টকাৰ পৰা দুশ টকাকৈ কাটি ৰাখে; অথচ সংগীত সন্মিলনৰ খৰছৰ শিতানত সেই দুশ টকাৰ খৰচ দেখুৱায় ধনৰ হৰলুকী কৰে। যথা—

*"দুগৰাকী শিল্পীক কাজিৰঙালৈ নি কাজিৰঙা দেখুৱাই ঘুৰাই আনোতে প্ৰাইভেট*

*টেক্সিৰ ভাৰা তিনিশ টকা, তেওঁলোকে ভাত খোৱা, দুৰাতি থকা আৰু অন্যান্য*

*সৰু-সুৰা খৰচ লৈ মুঠতে ১৮৫.৫০ পইচা।"*[১৪]

উল্লেখ্য যে যিখন গাড়ীৰ ভাৰাৰ বাবদ সম্পাদক গৌৰীকান্তই সভাৰ খৰছ বঢ়ালে, সেই গাড়ীখন বিশ্বেশ্বৰৰ পৰা তেওঁ এনেয়ে পাইছিল। গল্পকাৰে উক্ত সকলোবোৰ কথাকে ব্যঙ্গ কৰি 'সংগীত সন্মিলন' গল্পত চিত্ৰিত কৰিছে।

সামাজিক অনুষ্ঠানৰ নামত চাঁদা সংগ্ৰহৰ অশুভ পৰম্পৰাৰ প্ৰতি 'ঋণ পৰিশোধ' গল্পতো ব্যঙ্গ কৰা দেখা যায়। বিশেষকৈ নিজকে সমাজসেৱিকা বুলি জহাই ফুৰা আত্মশ্লাঘা মহিলাক গল্পকাৰে উক্ত গল্পত নিন্দা কৰিছে। গল্পটোত উল্লেখ থকা মতে অৰ্থবান মহিলা এগৰাকী হ'ল ৰূপলাৱণ্যময়ী। অথচ 'মহিলা মহামণ্ডল' নামৰ সামাজিক অনুষ্ঠান পাতি সাঙ্গো-পাঙ্গে উক্ত মহিলাগৰাকীয়ে লাইব্ৰেৰী নিৰ্মাণৰ বাবে ভৈৰবচন্দ্ৰ হাজৰিকাৰ পৰা দুহেজাৰ টকা দাবী কৰে।

---

১৩। লক্ষ্মীনাথ ফুকন, 'সঙ্গীত সন্মিলন', আনন্দে নধৰে হিয়া, পৃ. ৯২

১৪। উল্লিখিত গল্প, পৃ. ৮৯

ইচ্ছা কৰা হ'লে ৰূপলাৱণ্যময়ী নামৰ মহিলাগৰাকীয়ে নিজৰ ধনেৰেই লাইব্ৰেৰী এটা সজাই দিব পাৰে; কিন্তু তাৰবাবে তেওঁ এটকাও আগ নবঢ়ায়। এই কথাটোকে দোহাৰি ভৈৰৱচন্দ্ৰ হাজৰিকাই তেওঁলোকক লাজ দিছে আৰু দুহেজাৰৰ ঠাইত মাত্ৰ তিনি টকা আদায় দি বিদায় দিছে। ইয়াৰ দ্বাৰা দুটা কথা আমাৰ দৃষ্টিগোচৰ হয়— এটা হ'ল যে চাঁদা সংগ্ৰহৰ নামত এনে মহিলাই দৰাচলতে আনৰ জেপ লুৰুকে। আনটো হ'ল তথাকথিত এনে সমাজসেৱিকাক নাক কাটি লাজ দিলেও লাজ নাপায়, অৰ্থাৎ নিৰ্লজ্জ। গল্পকাৰে হাজৰিকাৰ দ্বাৰা কটু কথা শুনাই আচলতে এনে নাৰীৰ দ্বাৰা অনুষ্ঠান নিৰ্মাণৰ অন্তৰালত থকা ভণ্ডামিকে ব্যঙ্গ কৰিছে।

### ৪.১.৩. নগৰকেন্দ্ৰিক স্বাৰ্থপৰতা আৰু তথাকথিত আধুনিকতাৰ প্ৰতি কৰা ব্যঙ্গাত্মক চিত্ৰায়ণ

ঊনবিংশ শতিকাৰ যান্ত্ৰিক বিকাশে ক্ৰমান্বয়ে নগৰ পট্টনৰ পৰিবেশ দ্ৰুততৰ কৰি তুলিলে। লগে লগে আধুনিকীকৰণৰ এক অঘোষিত প্ৰতিযোগিতা সকলোৰে মাজত গাঢ় হৈ উঠিল। গাঁৱত সহজলভ্য সঁচা প্ৰেম ভালপোৱা নগৰৰ বাবে হঠাৎ দুষ্প্ৰাপ্য যেন হৈ পৰিল। ব্যক্তিগত লাভ লোকচানৰ জটিল অংকত লাগিবলৈ গৈ নগৰত এক পৃথক মানসিকতাই গা কৰি উঠিল। সামাজিক চিন্তাতকৈ নগৰীয়া মানুহে ব্যক্তিগত লাভালাভৰ কথা ভাবি ভাল পোৱা হ'ল। যুদ্ধোপূৰ্ব বা যুদ্ধপৰৱৰ্তী এই মানসিকতাক তদানীন্তন কোনো লেখকেই অৱজ্ঞা কৰিব নোৱাৰিলে। ফলত আন বহুতৰ লগতে গল্পকাৰ লক্ষ্মীনাথ ফুকনৰ চুটিগল্পতো ইয়াৰ প্ৰতিফলন ঘটা দেখা গ'ল।

লক্ষ্মীনাথ ফুকনৰ এটি উল্লেখযোগ্য গল্প হ'ল 'শেষ আশ্ৰয়'। নগৰীয়া স্বাৰ্থপৰতাৰ আগত মানৱতাৰ অপমৃত্যু আৰু ইয়াৰ অন্তঃস্থলত থকা জীৱনৰ অন্য এক ট্ৰেজেদি গল্পটোত অংকিত হৈছে। সংকটৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাটো মানুহৰ মহত্তম কৰ্তব্য। তেজৰ সম্পৰ্ক থকা হ'লে কথাটো আৰু সুকীয়া হয়। কিন্তু কোনোবা এজনৰ সীমাহীন দুৰাৱস্থাৰ সময়তো যদি সহোদৰ ভাতৃ-ভগ্নীৰ দ্বাৰা সেই ব্যক্তি বঞ্চিত হ'ব লগা হয়, তেন্তে জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহৰ পাছতো সেই ব্যক্তি তিলতিলকৈ মৰিবলৈ বাধ্য। নগৰীয়া স্বাৰ্থপৰতাই এনে পৰিস্থিতিকে পোষকতা কৰে। 'শেষ আশ্ৰয়' গল্পটোত হৰেশ্বৰ হ'ল এনে এক পৰিস্থিতিৰ পোষক। নিজৰ দুৰ্বলতা লুকাই ৰাখি বেমাৰী ভাতৃ কুমুদেশ্বৰক অকনমান আশ্ৰয় দিবলৈ তেওঁ অপাৰগ। বৰং বুঢ়ীমাকক চোৱা-চিতা আৰু বেমাৰ-যন্ত্ৰনাৰ সহায়ক গাঁৱৰ নৈপৰীয়া জলবায়ুৰ দোহাই দি হৰেশ্বৰে ভাতৃ কুমুদেশ্বৰক

গাঁৱলৈ পঠিয়াই দিছে। নিজে আগভাগ লৈ যক্ষ্মাৰ চিকিৎসা কৰোৱাৰ বিপৰীতে চৰম দায়িত্বহীনতাৰ পৰিচয় দি হৰেশ্বৰে যি আচৰণ দেখুৱালে, তাৰ জৰিয়তে গল্পকাৰে নগৰকেন্দ্ৰিক স্বাৰ্থপৰতাকে ব্যঙ্গ কৰিছে। এই স্বাৰ্থপৰতা ইমানে নিৰ্মম যে সহজে 'শেষ আশ্ৰয়' হ'ব পৰা হৰেশ্বৰৰ দায়িত্বহীনতাই ভায়েক কুমুদেশ্বৰক শ্মশানত তিলতিলকৈ মৰিবলৈ এৰি দিব পাৰিছে। নিজৰ ভাতৃৰ দ্বাৰা অৱহেলিত হোৱাৰ পিছত প্ৰেছৰ মালিক গোবিন্দ প্ৰসাদৰ দ্বাৰা অৱহেলিত হোৱাটোত কুমুদেশ্বৰৰ আচৰিত হ'ব লগা একো নাথাকে। ইফালে জীৱনৰ অন্তিম ক্ষণ গণি থকা বুলি জানিব পাৰি গোবিন্দ প্ৰসাদে কুমুদেশ্বৰৰ সৎকাৰ কেনেকৈ সমাপন কৰিব, তাৰ এটা পূৰ্বপ্ৰস্তুতি সম্পূৰ্ণ কৰি ৰাখিছে। নগৰকেন্দ্ৰিক এনে মানসিকতাক তীব্ৰ ব্যঙ্গ কৰি গল্পকাৰে লিখিছে-

> *"মৃতদেহৰ সৎকাৰ দেখনিয়াৰকৈ কৰিবলৈ গোবিন্দপ্ৰসাদ সক্ষম হৈ ৰ'ল। এতিয়া সি অনুগ্ৰহ কৰি মৰিলেই হ'ল।*[১৫]

নগৰকেন্দ্ৰীক স্বাৰ্থপৰতা তথা অন্তঃসাৰশূন্যতাক ব্যঙ্গ কৰি লিখা অন্য এটা গল্প হ'ল 'টাইপিষ্টৰ জীৱন'। আনৰ পৰিশ্ৰমেৰে নিজক স্বচ্ছল কৰা মানুহৰ সংখ্যা কম নহয়। নিজৰ শিয়াল বুদ্ধিৰে কম অৰ্থৰ বিনিময়ত অধিক কাম আদায় কৰি এওঁলোকে তলতীয়া কৰ্মচাৰীক আভুৱা ভাঁৰে। চলাহী কথা এনে লোকৰ প্ৰধান অস্ত্ৰ। কাম আদায়ৰ বেলিকা প্ৰশংসাত পঞ্চমুখ অথচ আৰ্থিক সহায়ৰ সময়ত কৌশলেৰে মূৰ পোলোকা মাৰা এনে লোকৰ চৰিত্ৰ। এনে চৰিত্ৰৰ স্বাৰ্থপৰতাকে 'চৌধুৰী ব্ৰাদাৰ্চ কোম্পানী'ৰ মেনেজাৰৰ জৰিয়তে ব্যঙ্গ কৰা হৈছে। মেনেজাৰে মাণিক শইকীয়াক তাৰিফ কৰে সঁচা; কিন্তু সকলো কৰ্মচাৰীৰ হৈ দৰমহা বঢ়াবৰ দৰ্খাস্ত দিয়াত, এই একেজন মেনেজাৰে অজিতক কামৰ পৰা বৰ্খাস্ত কৰিছে। নিজে বছৰেকীয়া হিচাবত নহেজাৰ পৰ্যন্ত কমিচন লোৱা এই মেনেজাৰজনে অজিতক বৰ্খাস্ত কৰি আচলতে নিজৰ কমিচনকহে ৰক্ষণা-বেক্ষণ দিয়ে। মেনেজাৰ হ'ল আধুনিক সভ্যতাৰ পালনীয়া সন্তান তথা মিছা দৰদ আৰু সহানুভূতিৰে স্বাৰ্থপৰতাৰ উদাহৰণ। সেয়েহে *"আধুনিক সভ্যতাৰ গতানুগতিক বাহ্যিক আচৰণৰ অন্তৰালত লুকাই থকা বিৰাট শূন্যতাৰ"*[১৬] উমান তেওঁৰ কাৰ্য প্ৰণালীত স্পষ্ট। জীৱিত মাণিক শইকীয়াৰ বাবে বিশেষ একো নকৰি মৃত মানিক শইকীয়াৰ বাবে

---

১৫। লক্ষ্মীনাথ ফুকন, 'শেষ আশ্ৰয়', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১৬১

১৬। ত্ৰৈলোক্য নাথ গোস্বামী, আধুনিক গল্প সাহিত্য, পৃ. ১৭০

দেখুওৱা প্ৰচুৰ সহমৰ্মিতা বিশেষকৈ মৃতকৰ প্ৰতি শোক প্ৰস্তাৱ, মৃতকৰ আত্মাৰ চিৰশান্তিৰ বাবে মৌন প্ৰাৰ্থনা, শোক সভা, সোঁৱৰণীমূলক দীঘলীয়া ভাষণ, আৰু ডাঙৰকৈ ফটো এখন অফিচত বন্ধাই ৰখাৰ ইচ্ছা আদি সকলোতে নগৰকেন্দ্ৰিকতা আৰু আধুনিকতাৰ ফোঁপোলা দিশটোহে প্ৰকটিত হৈছে। গল্পকাৰে আধুনিক সভ্যতাৰ এনে নগ্ন ৰূপ অংকন কৰি প্ৰচুৰ ব্যঙ্গ কৰিছে।

নগৰকেন্দ্ৰিক স্বাৰ্থপৰতা আৰু তথাকথিত আধুনিকতাৰ ব্যঙ্গাত্মক চিত্ৰ থকা আন এটা উল্লেখযোগ্য গল্প হ'ল 'বিহু সন্মিলন'। মূল চৰিত্ৰ বিচিত্ৰময়ীৰ কাম কাজৰ জৰিয়তে গল্পকাৰ লক্ষ্মীনাথ ফুকনে উক্ত দিশসমূহৰ অৱতাৰণা কৰিছে। দৰাচলতে বিহুৰ দৰে সাংস্কৃতিক অনুষ্ঠানৰ নামত চলা বাণিজ্যিক অভিসন্ধিয়ে এচাম ভণ্ড মানুহৰ অভিপ্ৰায়ক প্ৰতিনিধিত্ব কৰি আহিছে। এই অভিপ্ৰায় ইমানে বিপদজনক যে ইয়াৰ দ্বাৰা জাতীয় আৱেগ প্ৰয়োগ কৰি ব্যক্তিগত মুনাফা লাভৰ ফন্দি পতা হৈছে। প্ৰলোভনৰ সীমা চেৰাই এই ফন্দিত ৰাজনীতিকৰ পৰা বনিয়া মাৰোৱাৰীলৈকে সকলো সোমাই পৰিছে। মন কৰিবলগীয়া যে এনে ফন্দিত জাতীয় আৱেগৰ শৰাধ কৰে আমাৰ মাজৰে কোনো 'ময়ুৰভঙ্গী' অথবা 'বিচিত্ৰময়ী'য়ে। মুখ্যমন্ত্ৰীয়ে সভাপতিত্ব কৰিব বুলি জনাই বিহু সন্মিলনৰ কোনো এটা খৰছৰ শিতান বিচিত্ৰময়ীয়ে হুকুমচান্দৰ পৰা আদায় কৰে। এইক্ষেত্ৰত উভয়ে আত্মস্বাৰ্থৰ প্ৰতি নজৰ ৰাখে। হুকুমচান্দৰ স্বাৰ্থ হ'ল মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি চৰকাৰৰ পৰা কাপোৰৰ পাৰমিট লাভ কৰা আৰু বিচিত্ৰময়ীৰ স্বাৰ্থ হ'ল হুকুমচান্দৰ পৰা প্ৰাপ্ত অনুদান সভাৰ নথিত উহ্য ৰাখি হস্তগত কৰা। নগৰীয়া ব্যৱসায়ীৰ সুবিধাবাদী চিন্তাক তলত দেখুওৱা ধৰণে ব্যঙ্গ কৰা হৈছে। যথা --

> *"হুকুমচান্দ বাবুয়ে কাপোৰৰ পাৰমিটৰ কাৰণে টেণ্ডাৰ দিছে আৰু যাতে তেওঁ পাৰমিট পায় তাৰ বাবে চেষ্টা কৰিবলৈ বাকী থোৱা নাই। এইখিনি খৰছো তাৰ লগৰে যেনিবা। কংগ্ৰেছী মহলে মাজে সময়ে তেওঁৰ পৰা এনেকৈ টকা আদায় কৰি থাকেই, কত বাৰ যে তেওঁ এনে চাহ মেলৰ খৰছ বহন কৰিছে, মহিলা মহামণ্ডলক তেওঁ এতিয়া নিৰাশ কৰিব নে? মহিলা মহামণ্ডলকো পাৰিলে হাতত ৰখা ভাল, সময়ত কাম আহিব পাৰে। তদুপৰি মুখ্যমন্ত্ৰীয়ে বিহু সন্মিলনত সভাপতিত্ব কৰিব যেতিয়া তেওঁ পিছ হোঁহকা ঠিক নহ'ব।"* [১৭]

বিচিত্ৰময়ী হ'ল স্বাৰ্থপৰতা আৰু তথাকথিত আধুনিকতাৰ যুগলবন্দী। গিৰিয়েকৰ মূৰত পাকঘৰৰ

১৭। লক্ষ্মীনাথ ফুকন, 'বিহু সন্মিলন', ওফাইদাং, পৃ. ৮৭

পৰা কেঁচুৰা চম্ভালাৰ সকলো বোজা জাপি দি তেওঁ নানা সভা-সমিতিত ভাষণ দি ফুৰে। তেওঁৰ সীমাহীন প্ৰভাৱৰ নমুনা এনেধৰণৰ যে *"তেওঁলোকৰ ঘৰটোকো আনকি মানুহে গগনমণ্ডলৰ ঘৰ নুবুলি বিচিত্ৰময়ীৰ ঘৰ বুলিহে কয়। অনেকে তেওঁক মিষ্টাৰ বিচিত্ৰময়ীও বোলে। তেওঁ তাত আপত্তি কৰিবলগীয়া একো দেখা নাপায়, বৰং তেনেকৈ তেওঁৰ চিনাকি দিয়াটো ন্যায়সঙ্গত হৈছে বুলিয়েই ভাবে। যদি গিৰিয়েকৰ নামৰ আগত মিচেছ লগাই ঘৈণীয়েকৰ পৰিচয় দিব পাৰি, তেনেহলে ঘৈণীয়েকৰ নামৰ আগত মিষ্টাৰ লগাই গিৰিয়েকৰ পৰিচয়নো দিব পৰা নেযাব কিয়? তদুপৰি এতিয়া যে আগৰ দিন নাই।"*[১৮]

এনেদৰে স্বাৰ্থপৰ আৰু আধুনিকতাৰ ভণ্ডামি উদঙাই গল্পকাৰে নিৰ্মল হাস্য-ব্যঙ্গৰ অৱতাৰণা কৰিছে।

তথাকথিত আধুনিকতাৰ ব্যঙ্গাত্মক চিত্ৰায়ণত লক্ষ্মীনাথ ফুকন পাৰদৰ্শী। 'আনন্দে নধৰে হিয়া' নামৰ গল্পটোতে এনে বিষয়ৰ উপস্থিতি লক্ষ্য কৰা যায়। বিবাহৰ বাবে কইনা বাচনিৰ পুৰণি পৰম্পৰাক যিধৰণৰ আধুনিকৰণ কৰা হৈছে, সিয়ে এচাম মহিলাৰ ফোঁপোলা মনোবৃত্তিক প্ৰতিফলিত কৰে। বজাৰত ওলোৱা জন্তুৰ দৰে গা-মূৰ টিপি টিপি চোৱা নতুন নিয়মক নগ্নভাৱে দেখুৱাই গল্পকাৰে সংশ্লিষ্ট সকলো পক্ষকে যেন লাজ দিবহে খুজিছে। নিজ হাতে ফিটা ধৰি ভৰিৰ পৰা মূৰলৈ আনকি কঁকাল, পিঠি, বুকু আদি সকলোৰে জোখ লোৱা আৰু বহীত টুকি থোৱা কাৰ্যৰে মধুমালতীৰ চৰিত্ৰ অংকন কৰি লক্ষ্মীনাথ ফুকনে বজাৰমুখী আধুনিকতাকে ব্যঙ্গ কৰিছে। মধুমালতীৰ ভাষ্যৰে সৰস হাস্য-ব্যঙ্গ এনেধৰণৰ-

> *"আগতে যেনেকৈ ছোৱালী চায় আজিকালি তেনেকৈ চালে নহ'ব। মিছ ইউনিভাৰ্চৰ কাৰণে প্ৰতিযোগিতা যে হয়, আপোনালোকে তাৰ কথা কাগজততো পঢ়িছেই। তাত প্ৰতিযোগিতাত যোগ দিয়া ছোৱালীকেইজনীক সাঁতোৰৰ পোছাক অৰ্থাৎ চুটি জাঙিয়া এটা পিন্ধাই আৰু বুকুখন মাথোন ঢাকি অনেক জোখ মাখ কৰি চোৱা হয়। তেনেকৈ চায়হে কোনজনী এটাইতকৈ সুন্দৰী ঠিক কৰা হয়। ময়ো সেই পদ্ধতিকে লৈছোঁ। অৱশ্যে মই পূৰা সাজতে জোখ মাখ লওঁ।"*
>
> *"কথাটো মনপুত হোৱা নাছিল যদিও, পূৰ্ণিমাই ওজৰ আপত্তি কৰিবৰ একো*

---

১৮। লক্ষ্মীনাথ ফুকন, 'সঙ্গীত সন্মিলন', ওফাইদাং, পৃ. ৮২

*কাৰণ নেদেখিলে। এনেকৈয়ে যদি পূৰবীৰ বিয়াখন ঠিক হয় তাতনো ক্ষতি কি? পূৰ্ণিমাই এনেকৈ ভাবি থাকোতেই মধুমালতীয়ে পূৰবীক ওচৰলৈ মাতিলে আৰু পূৰবী আহিলত কলে, এতিয়া তোমাৰ বুকুখন জুখিব লাগিব।”*[১৯]

## ৪.১.৪ তথাকথিত শিক্ষিতৰ প্ৰতি কৰা ব্যঙ্গ

‘জোনাকী যুগ’ (১৮৮৯)ৰ চুটিগল্পত স্থান পোৱা হাস্য-ব্যঙ্গাত্মক ধাৰণা পৰৱৰ্তী ‘আৱাহন যুগ’(১৯২৯)ত তুলনামূলকভাৱে শক্তিশালী হৈ পৰে। এই সময়ৰ গল্পকাৰসকল প্ৰখৰ সমাজসচেতন তথা দায়ৱদ্ধ হোৱা বাবে সমকালীন সমাজৰ বহু ভণ্ডামিক এওঁলোকে সাহিত্যত প্ৰতিফলিত কৰাৰ প্ৰয়াস কৰে। অৱশ্যে ‘জোনাকী যুগ’ৰ ব্যঙ্গৰ সৈতে আৱাহনকালীন ব্যঙ্গৰ পাৰ্থক্য আছে। বিশেষকৈ ‘আৱাহন যুগ’ত ন-শিক্ষিৰ দ্বাৰা আধুনিকতাৰ নামত চলা ভণ্ডামিক সমসাময়িক গল্পকাৰসকলে তীব্ৰ বঙ্গৰে প্ৰতিৰোধৰ চেষ্টা কৰে। ন-শিক্ষিত অসমীয়াই নিজৰ বিবাহৰ বাবে বাচনি কৰা ছোৱালীজনী দেখাত সুন্দৰী হোৱাৰ লগতে ইংৰাজী জনাৰ ওপৰত গুৰুত্ব দিয়া দেখা গ’ল। গুণগত দিশটো অৱজ্ঞা কৰি কেৱল ইংৰাজী প্ৰীতি প্ৰদৰ্শনেৰে এইধৰণৰ লোকে জীৱন সঙ্গী বিচৰাৰ যি পন্থা অৱলম্বন কৰিলে, তাৰ জৰিয়তে ন শিক্ষিতৰ ফোঁপোলা স্বৰূপটোহে ওলাই পৰিল। অল্প বিদ্যাধাৰী পুতেকৰ শিক্ষাৰে যেন মাকো শিক্ষিতা, গতিকে যেই সেই ছোৱালীৰ স’তে পুতেকৰ বিবাহ সম্পন্ন কৰিবলৈ মধুমালতী ৰাজি নহয়। এই মানসিকতাকে হাস্য-ব্যঙ্গৰ মাজেৰে গল্পকাৰে তলত দিয়া ধৰণে বৰ্ণনা কৰিছে। যেনে --

> *“পুতেক ইউৰোপীয়ান কোম্পানীৰ চাহ বাগিছাত এচিস্টেন্ট মেনেজাৰ কাম কৰে। যেই সেই ছোৱালীটো পুতেকৰ কাৰণে নহয়, ছোৱালীজনী হ’ব লাগিব তজবজীয়া, ইংৰাজীত কথা কব পৰা আৰু নিজক চম্ভালি আনৰ লগত ৰং তামছা ভালকৈ কৰিব জনা।”*[২০]

শিক্ষাই মানুহৰ মানসিক দিগন্ত প্ৰসাৰিত কৰে বুলি জনা যায়, কিন্তু তাৰ বিপৰীতে মানসিকতা

---

১৯। লক্ষ্মীনাথ ফুকন, ‘আনন্দে নধৰে হিয়া’, আনন্দে নধৰে হিয়া, পৃ. ১৮
২০। উল্লিখিত গল্প, পৃ. ১৬

সংকুচিত কৰিলে কথাটো মন কৰিবলগীয়া। গল্পকাৰ লক্ষ্মীনাথ ফুকনে গল্পত উক্ত বিষয় অৱতাৰণা কৰি অল্প শিক্ষাৰ সেই ভয়ংকাৰিতাকে যেন ব্যঙ্গ কৰিছে।

তথাকথিত শিক্ষিতৰ বিকৃত মানসিকতাৰ আন এটা দিশ 'পূজাৰ কাপোৰ' গল্পত উন্মোচিত হোৱা দেখা যায়। জগতত এনে বহু শিক্ষিত মানুহ আছে, যাৰ কপট আচৰণে তেওঁৰ সতে থকা আন মানুহক আহুকালত পেলায়। শিক্ষিত হোৱাৰ সুবিধা লৈ আনৰ আস্থা আৰু বিশ্বাসৰ লগত খেলা কৰা এনেধৰণৰ মানুহকে দুৰ্লভচন্দ্ৰ শইকীয়াৰ চৰিত্ৰৰ দ্বাৰা ব্যঙ্গ কৰা হৈছে। সমাজৰ অল্পশিক্ষিত মানুহবোৰে শিক্ষিত ব্যক্তিক সদায়েই এক বিশেষ দৃষ্টিৰে চোৱা পৰিলক্ষিত হয়। আনহাতে তেনে লোকে যদি আপদৰ সময়ত দুৰ্গতজনক আশ্ৰয় দিয়ে, তেনেহ'লে দুৰ্গতজনৰ ধাৰণা শিক্ষিতজনৰ প্ৰতি আৰু সুকীয়া হয়। আনহাতে শিক্ষিত সেই আশ্ৰয়দাতাৰ চৰিত্ৰগত দুৰ্বলতাই আশ্ৰয় প্ৰাপ্তক বিপদত পেলাব খুজিলে, তেনে শিক্ষিত লোকক কোনেও ক্ষমা কৰিব নোৱাৰে। উকিল দুৰ্লভ চন্দ্ৰ শইকীয়াকো গল্পকাৰ লক্ষ্মীনাথ ফুকনে সেয়েহে ক্ষমা কৰিব পৰা নাই। তথাকথিত শিক্ষিতৰ মুখা খুলি গল্পত তেওঁ এই স্বাৰ্থপৰ উকিলৰ চৰিত্ৰ উদঙাই দিছে। দুৰ্লভ চন্দ্ৰৰ চৰিত্ৰক ব্যঙ্গ কৰি গল্পকাৰে লিখিছে-

> *"কিমান ভাল লগাকৈ কথা কয় দুৰ্লভ চন্দ্ৰই। মুখলৈ চালে আৰু কথা কোৱাৰ ধৰণ দেখিলে কোনে ভাবিব পাৰিব সেইজন মানুহৰ তলে তলে ইমান ফন্দি। এই সংসাৰত এনে বহু মানুহ আছে যিবিলাকে ভিতৰত এটা ভাব ৰাখি বাহিৰে আন এটা ভাব দেখুৱাই এইটো কাম কৰে। সেইবিলাক মানুহৰে দুৰ্লভচন্দ্ৰ এজন ডালিমীয়ে এতিয়াহে বুজিলে ইমান মৰম দেখুৱাই দুৰ্লভচন্দ্ৰই সিহঁতক তেওঁৰ ঘৰলৈ আনিছিল কেলেই। চল বিচাৰি ফুৰিছিল কিজানি দুৰ্লভচন্দ্ৰই সিহঁত ইয়ালৈ অহাৰ পিছৰে পৰা, আজি গিৰিয়েক নোহোৱাত চল পাই দুৰ্লভচন্দ্ৰই মুখা খুলি তাৰ অসুৰ ৰূপ ধাৰণ কৰিলে। তাই আজি কুৰুক্ষেত্ৰই কৰিলেহেঁতেন। কিন্তু বহুত ভাবি তাই ক্ষান্ত হ'ল। তাইৰ হাতখনত দুৰ্লভচন্দ্ৰই ধৰোতে তাই প্ৰথমতে একো ভবা নাছিল, কিন্তু হাতখন যেতিয়া লাহে লাহে ওপৰলৈ উঠি যাবলৈ ধৰিলে তেতিয়াহে তাই বুজিলে কি পাষণ্ড এই মানুহটো।"*[২১]

২১। লক্ষ্মীনাথ ফুকন, 'পূজাৰ কাপোৰ, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ২০৭-২০৮

এনে বিকৃত মানসিকতাৰ ব্যক্তিৰ হাতত ব্যক্তি তথা সমাজ কোনোৰে নিৰাপদ নহয়। উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ পিছতো এনে লোকে নিজৰ লম্পট চৰিত্ৰৰ দ্বাৰা আনক অসুবিধাত পেলায় আৰু অসৎ প্ৰবৃত্তি চৰিত্ৰাৰ্থ কৰি সমাজত বিষবাষ্প বিয়পায়। গল্পকাৰে এই দিশটোকে উদঙাই দি সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ যত্ন কৰিছে।

লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত 'অসম নাট্যম' গল্পটোতো তথাকথিত শিক্ষিতৰ প্ৰতি ব্যঙ্গ কৰা হৈছে। পাশ্চাত্য প্ৰভাৱত অসমীয়া ভাষাৰ সংস্কৰণ কৰি এচাম শিক্ষিত ব্যক্তিয়ে ইংৰাজীক প্ৰাধান্য দিবলৈ ধৰা কথাটো ঊনবিংশ শতিকাৰ ন-অসমীয়াৰ এটা বৈশিষ্ট্য হ'বলৈ ধৰিলে। তদুপৰি কোনো গ্ৰন্থৰ গুণগত মান অনুধাৱন নকৰি ওপৰে-ওপৰে সেই গ্ৰন্থৰ প্ৰসংশাত পঞ্চমুখ হোৱা ন-শিক্ষিতৰ উত্থান সেই সময়ৰ মন কৰিবলগীয়া কথা হ'বলৈ ধৰে। গল্পকাৰ লক্ষ্মীনাথ ফুকনে এই দিশবোৰ পৰিকল্পিতভাৱে 'অসম নাট্যম' গল্পটোত অংকণ কৰিছে। ধনঞ্জয়ৰ দেউতাক অৱসৰপ্ৰাপ্ত পুলিচ চুপাৰিয়েন্টেণ্ডেণ্টৰ কথা-কাৰ্যৰ মাজেদিয়ে এনে ব্যঙ্গ গল্পত মূৰ্ত হৈ উঠিছে। 'ৰামধেনুৰ ৰং'গল্প সংকলনৰ গল্পকাৰ দীপকক অসমীয়া বানানৰ বিষয়ে উপদেশ তথা নিৰ্দেশনা দি ধনঞ্জয়ৰ দেউতাকে যিবোৰ কথা কলে, সিয়ে চৰিত্ৰটোৰ তৰাং চিন্তাকে প্ৰতিফলিত কৰিছে। আনহাতে বুঢ়াৰ দ্বাৰা খুব নিলিখি খু-উ-ব, চাগৈ নিলিখি চাগে, আকৌ নিলিখি আক, কৰিবলৈ নিলিখি কৰিবলে, বা যাবলৈ, গাবলৈ ৰ ঠাইত যাবলে, গাবলে লিখাৰ উপদেশ দিয়া কাৰ্যই তথাকথিত শিক্ষিতৰ তৰাং মানসিকতাকহে প্ৰকাশ কৰিছে। অৱশ্যে এইবোৰ কথা দীপকে আগৰে পৰা অনুসৰণ কৰে বুলি জানিব পাৰি ধনঞ্জয়ৰ দেউতাকে গল্পকাৰ দীপকক 'চাবাচ চাবাচ' দিবলৈ পাহৰা নাই। এজন শিক্ষিত তথা অৱসৰপ্ৰাপ্ত পুলিচ বিষয়া হোৱাৰ পিছতো উদীয়মান গল্পকাৰৰ প্ৰতি তেওঁ যি ধৰণৰ আহ্বান ৰাখিছে, সিয়েই চৰিত্ৰটোৰ লগতে পৰিবেশক হাস্য-ব্যঙ্গাত্মক কৰি তুলিছে। ব্যঙ্গ প্ৰকাশক বুঢ়াৰ সংলাপটো এনেধৰণৰ-

> *"গল্প লিখক হিচাপে তুমি বহুত ওপৰলৈ উঠিবা মই কৈ থলোঁ। তুমি পিছে কাইলৈকে থাকি তোমাৰ কিতাপখন দিবাহি। দাম মোৰ দিবলৈ নাই, কিন্তু কিতাপখনৰ বিষয়ে কিবা চাৰ্টিফিকেট লাগে যদি দিম। কিতাপখনত 'উইথ দি কমপ্লিমেন্টচ্ অৱ দি অথৰ' মোক উপহাৰ দিছা বুলি লিখি লৈ আহিবা। ইংৰাজীতে লিখিবা। অসমীয়াত নিলিখিবা, অসমীয়ালৈ ভাঙনি কৰিও*

*নিলিখিবা। মই মানুহক দেখুৱাম।”*[২২]

এয়া নিশ্চিতভাৱে অসমীয়া ভাষাৰ প্ৰতি নম্ৰ অৱজ্ঞা আৰু অহৈতুক ইংৰাজী প্ৰীতি। বৃটিছৰ আমোলা ন-শিক্ষিতৰ এনে মানসিকতাকে উক্ত চৰিত্ৰৰ জৰিয়তে গল্পকাৰে ‘অসম নাট্যম’ গল্পত ব্যঙ্গ কৰি দেখুৱাইছে।

লক্ষ্মীনাথ ফুকনৰ এটি উল্লেখযোগ্য গল্প হ’ল ‘ডাক্তৰ’। সমাজৰ দৃষ্টিত ডাক্তৰ এজন সদায়ে আদৰ্শ ব্যক্তি হিচাপে পৰিগণিত হোৱা দেখা যায়। কিন্তু এই ডাক্তৰজীৱীৰ কথা-বাৰ্তাই সমাজৰ আন বৰেণ্য কাৰোবাৰ যদি মান হানি কৰে, সেয়া কোনোমতে সমৰ্থনযোগ্য হ’ব নোৱাৰে। আনহাতে দেখা যায় যে উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ পিছতো শিক্ষাই যেন বহুতৰে মানসিক দিগন্ত প্ৰসাৰিত কৰিব পৰা নাই। ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবে লাগিলে সহকৰ্মীক বদনাম-অপযশ দিয়াৰ প্ৰৱনতাও কেতিয়াবা দৃষ্টিগোচৰ হয়। ‘ডাক্তৰ’ গল্পৰ এজন সৎ-নিষ্ঠাবান ডাক্তৰ হ’ল নাৰায়ণ চলিহা। তেওঁৰ বিৰুদ্ধে ডাক্তৰ অৰুণী চক্ৰৱৰ্ত্তীয়ে কৰা তুচ্ছ-তাচ্ছিল্যৰ জৰিয়তে তথাকথিত শিক্ষিতৰ নিম্ন অভিপ্ৰায় গল্পত ব্যঙ্গ কৰা হৈছে।

শিক্ষা আৰু শিক্ষিতৰ প্ৰতি সৰল ব্যঙ্গ ‘এই ছোৱালীবোৰ’ গল্পত লক্ষ্য কৰা যায়। বিশেষকৈ, ঊনবিংশ শতিকাত নাৰী শিক্ষা বুলিলে একশ্ৰেণীয়ে উপযুক্ত দৰা লাভৰ বাবে এয়া যোগ্যতা অৰ্জনৰ মাপকাঠী বুলিহে বুজে। তাতকৈ উৰ্দ্ধলৈ গৈ অনগ্ৰসৰ নাৰীয়ে নিজাববীয়াকৈ কিবা এটা কৰা অভিপ্ৰায়ক কোনোৰে গুৰুত্ব নিদিয়ে। ‘এই ছোৱালীবোৰ’ গল্পত সীমা নামৰ চৰিত্ৰৰ মুখেৰে নাৰী শিক্ষাৰ প্ৰায়োগিক দিশৰ প্ৰতি থকা এনে ভুল ধাৰণাকে ব্যঙ্গ কৰা হৈছে। যেনে —

> *“মেট্ৰিকুলেছনটো যে পাছ কৰিলো সেয়ে যথেষ্ট। ল’ৰাই পঢ়ে কামৰ কাৰণে, ছোৱালীয়ে পঢ়ে দৰাৰ কাৰণে। মোৰ দৰা ঠিক হৈয়ে আছে। মিছাতে পঢ়ি পঢ়ি মুখস্থ কৰি মৰো কেলেই।”*[২৩]

## ৪.১.৫ ধনৱানক অগ্ৰাধিকাৰ দিয়া বিচাৰধাৰাৰ প্ৰতি কৰা ব্যঙ্গাত্মক চিত্ৰায়ণ

ঊনৈশ শতিকাৰ আৰম্ভণিৰ অসমত উচ্চবিত্ত, মধ্যবিত্ত আৰু এটা পুঁজিপতি শ্ৰেণীৰ জন্ম

২২। লক্ষ্মীনাথ ফুকন, ‘অসম নাট্যম’, আনন্দে নধৰে হিয়া, পৃ. ১৭৯

২৩। লক্ষ্মীনাথ ফুকন, ‘এই ছোৱালীবোৰ’, মৰমৰ মাধুৰী, পৃ. ৯১

হৈছিল। *“অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ জন্ম হৈছিল প্ৰধানকৈ অসমৰ উচ্চবৰ্ণৰ মাজৰ পৰা।”*[২৪] *“অসমীয়া উচ্চবিত্ত শ্ৰেণীটো আছিল ইংৰাজ সাম্ৰাজ্যবাদ আৰু মাটিগিৰি শ্ৰেণীৰ অনুগত। আনহাতে এচাম ব্যৱসায়ী আৰু চৰকাৰী আমোলাৰ মাজৰ পৰা দুৰ্বল হ'লেও এটা পুঁজিপতি শ্ৰেণীৰ জন্ম হৈছিল।”*[২৫] ইয়াৰ বাহিৰে জনজাতীয় আৰু অজনজাতীয় কৃষক-হজুৰা একত্ৰভাৱে নিম্নবিত্ত হিচাবে থাকি গৈছিল। পৰৱৰ্তী সময়ত উচ্চবিত্ত আৰু পুঁজিপতিৰ প্ৰভাৱত পৰি অসমৰ মধ্যবিত্ত কিংবা নিম্নবিত্ত সকলোৰে মাজত ধনক অগ্ৰাধিকাৰ দিয়া এটা ধাৰণাৰ প্ৰচলন হৈছিল। আধুনিক সাহিত্যই এই ধাৰণাকে পাৰ্যমানে প্ৰতিফলিত কৰিবলৈ ল'লে। দৰাচলতে অৰ্থৰ প্ৰতি লালসাই অসমৰ মধ্যবিত্তক কিদৰে বিচলিত কৰিছিল, তাৰ সঠিক চিত্ৰায়ণ আধুনিক সাহিত্যিকৰ বাবে এটা দায়িত্ব যেন হৈ পৰিল। লক্ষ্মীনাথ ফুকনো এই দায়িত্ববোধৰ পৰা বাহিৰত নহয়।

লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত 'এই ছোৱালীবোৰ' গল্পত ধনক অগ্ৰাধিকাৰ দিয়া বিচাৰধাৰাৰ প্ৰতি ব্যঙ্গ কৰা হৈছে। সংসাৰ চলাবৰ বাবে যি অৰ্থৰ প্ৰয়োজন সেই অৰ্থকে দৰাৰ যোগ্যতাৰ মাপকাঠি হিচাপে ভাবি এচাম মধ্যভোগীয়ে নিজৰ ছোৱালীক বিয়া দিবৰ বাঞ্ছা কৰা হ'ল। দৰাৰ গুণগত দিশ যিমানে নিম্ন নহওঁক, কোনোমতে বিলাতফেৰৎ হৈ ধন ঘটাৰ যন্ত্ৰ হ'ব পাৰিলেই নিজৰ ছোৱালীক তেনে ল'ৰালৈ বিয়া দিব খোজা বহু মাতৃৰ আবিৰ্ভাৱ ঘটিল। এনে এগৰাকী মহিলা হ'ল সীমাৰ মাক। কনকেশ্বৰ বৰুৱাই ঠিক কৰা ই-এ-চিলৈ বুঢ়া আঙুলি দেখুৱাই জীয়েক সীমাই ঠিক কৰিলে বিবেকানন্দক। হাইস্কুলৰ মাষ্টৰ বিবেকানন্দৰ আৰ্থিক অৱস্থা টনকিয়াল নহয়। গতিকে উপলুঙা কৰি মাকে সীমাক এই কাৰ্যৰ পৰা বাৰণ কৰিব খুজিলে। বিবেকানন্দৰ কম আয়ৰ প্ৰতি উপহাস কৰি সীমাৰ মাকে প্ৰায়ে কোৱা হ'ল—

> *“বিবেকানন্দই নো পায় কিমান? তোৰ এযোৰ পাটৰ ৰিহা মেখেলা-চাদৰকে*
> *দেখোন তাৰ  দৰমহাৰে নেপাবি।”*[২৬]

এই একে মানসিকতা সীমাৰ মোমায়েকৰ জীয়েক বাসন্তীৰ কথা-বতৰাতো দেখা পোৱা গ'ল। অৰ্থই সামাজিক মান-সন্মানৰ কাৰণ বুলি ভবা বাসন্তীয়ে সীমা আৰু বিবেকানন্দৰ সম্বন্ধৰ প্ৰতি প্ৰায়ে সন্ধিহান হয়। চিৰাচৰিত প্ৰেম ভালপোৱাৰ প্ৰতি অৱজ্ঞা কৰি তাই কয়--

---

২৪। হীৰেণ গগৈ, অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত, পৃ. ৫২

২৫। উল্লিখিত গ্ৰন্থ, পৃ. ৫৩

২৬। লক্ষ্মীনাথ ফুকন, 'এই ছোৱালীবোৰ', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৯০

*"বিবেকানন্দক বিয়া কৰাই খাবিনো কি, পিন্ধিবিনো কি, সমাজত মান-সন্মান পাবিনো কি?"*[২৭]

এয়া অৰ্থসৰ্বস্ব মানসিকতাৰ বাহিৰে আন একো নহয়। সীমাৰ দৰে এটা কথাত লাগি নাথাকি স্বেচ্ছাই পূৰ্বপ্ৰাৰ্থীক এৰি অৰ্থৰ লালসাত আনলৈ বিয়া হোৱা নাৰীৰ সংখ্যাও তদানীন্তন সমাজত কম নাছিল। গবৰ্ণমেন্ট হ'লেও কলেজৰ লেক্‌চাৰাৰৰ আয় ইঞ্জিনিয়াৰৰ আয়তকৈ বহু কম। বিশেষকৈ বাহিৰা পাওনি থকা অথচ সন্মানত পিছপৰা হ'লেও ইঞ্জিনিয়াৰৰ আৰ্থিক স্বচ্ছলতা বহু বিবাহযোগ্য নাৰীৰ বাবে আগ্ৰহৰ বিষয়। গতিকে তথাকথিত আধুনিকা নাৰীয়ে, যি *"আধুনিকতা পুঁজি বাদী সভ্যতাৰ অৱদান"*[২৮] এই পুঁজিক যেন অৱজ্ঞা কৰিব নোৱাৰে। 'এই ছোৱালীবোৰ' গল্পৰ দময়ন্তীয়েও শেষত সেয়েহে অৰ্থকে বৰণ কৰিছে। অৰ্থসৰ্বস্ব এনে মানসিকতাকে উদঙাই দি গল্পকাৰে সীমাৰ দ্বাৰা ভৎৰ্সনাৰ সুৰত কোৱাইছে এনেদৰে—

*"কোনে ভাবিছিল সিহঁতৰ বিয়া নহব বুলি? দময়ন্তীয়েও ইচ্ছা কৰিছিল সুবোধেও বিয়া কৰিবলৈ আগবাঢ়ি আহিছিল। কিন্তু দেউতাকে যেতিয়া তাইক টানি ধৰিলে মথুৰা হাজৰিকাক বিয়া কৰাব লাগে বুলি, কাৰণ মথুৰা ইঞ্জিনিয়াৰ, দৰমহাও ভাল আৰু বাহিৰা পাৱনিও ভাল আৰু সুবোধ চলিহা পেটে ভাতে খাই থকা লেক্‌চাৰাৰ, তেতিয়া দময়ন্তীয়ে দেউতাকৰ কথাতে মত দিলে। সুবোধৰ সকলো অনুনয় বিনয় অথলে গ'ল, দময়ন্তীয়ে মথুৰা হাজৰিকাকে বিয়া কৰালে।"*[২৯]

মনে বিচৰা ছোৱালীক বিয়া কৰাবৰ বাবে অৰ্থবান হোৱাৰ চেষ্টা কৰা যুৱকো তদানীন্তন সমাজত কিছু আছিল। নিজৰ গুণ গৰিমাৰে ছোৱালীৰ অভিভাৱকক আকৃষ্ট কৰিব নোৱাৰে অথচ বিলাতলৈ গৈ ডিগ্ৰী বা ডিপ্লমা ধৰি ইঞ্জিনিয়াৰ হ'ব পাৰিলেই জীৱনৰ সকলো সমস্যাৰ সমাধান হ'ব বুলি ভাবে। আত্মপ্ৰৱঞ্চক তেনে এজন লোক হ'ল পৰমানন্দ। চিৰ শাশ্বত কথাবোৰৰ প্ৰতি অমনোযোগী, কিন্তু বিলাত ফেৰৎ হ'ব পৰাটোকে জীৱনৰ সৰ্বোত্তম সাৰ্থকতা বুলি নিজকে নিজে তেওঁ আভুৱা ভাঁৰে। এই সকলোবোৰ কথাকে হাস্য-ব্যঙ্গাত্মক ৰূপত গল্পকাৰে গল্পত তুলি ধৰিছে।

---

২৭। লক্ষ্মীনাথ ফুকন, 'এই ছোৱালীবোৰ', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৯১

২৮। হীৰেণ গোঁহাই, মানৱতাৰ সন্ধানত, পৃ. ১১৮

২৯। পূৰ্ব উল্লিখিত গল্প, পৃ. ৯৩

ধন বা ধনৱানক অগ্ৰাধিকাৰ দিয়া বিচাৰধাৰাৰ প্ৰতি ব্যঙ্গ কৰা আন এটা গল্প হ'ল 'ডাক্তৰ'। কৰ্মৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যবোধৰ পৰা ফালৰি কাটি আহি মানুহে যেতিয়া অৰ্থৰ লালসাতে মন-প্ৰাণ নিমজ্জিত কৰে, তেতিয়া তেনে লোকৰ পৰা সমাজে পাবলগাখিনিৰ বিজুতি ঘটে। আনহাতে ধন ঘটাৰ প্ৰতি সুবিধাবাদী চৰিত্ৰ ধাৰণ কৰি তেনে লোকে গম নোপোৱাকৈয়ে নিজৰ মৰ্যাদা লাঘৱ কৰে। এওঁলোক মানৱতাৰ পৰিপন্থী আৰু ধনতান্ত্ৰিক সভ্যতাৰ পোষকস্বৰূপ। সমাজৰ বাবে সম্পদ হোৱাৰ যোগ্যতা থকা এই মানুহখিনি সময়ত আপদ যেন হৈ পৰে। ফলত সভ্যতাৰ ক্ৰমাগত উত্থানত এওঁলোকৰ অৱদান প্ৰায় শূন্য হৈ পৰে। এনেধৰণৰ ধনৰ প্ৰতি লালায়িত মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য লক্ষ্মীনাথ ফুকনৰ দ্বাৰা সৃষ্ট ডাক্তৰ চক্ৰৱৰ্ত্তীৰ চৰিত্ৰত কিছু পৰিমাণে ধৰা পৰিছে। তেওঁৰ ওচৰলৈ অহা আৰ্তজনৰ প্ৰতি সমবেদনাৰ বিপৰীতে ধনক অগ্ৰাধিকাৰ দিয়া আৰু মানৱতাক অৱজ্ঞা কৰাহে দেখা গৈছে। গল্পকাৰে ডাক্তৰ চক্ৰৱৰ্ত্তীৰ এই মানসিকতাকে উদঙাই দি গল্পত ব্যঙ্গ কৰা দেখা গৈছে এনেদৰে --

> *"সেউজী দুৱৰাক পৰীক্ষা আদি কৰি তাইৰ পৰা যি কেইটকা উলিয়াব লাগে লেখি লেখি ডাক্তৰ চক্ৰৱৰ্ত্তীয়ে উলিয়ালে। তাইক তেওঁ দুদিন পৰীক্ষা কৰিলে আৰু প্ৰত্যেক দিনৰে বেলেগে ফিজ ললে, এই দুদিনৰ পৰীক্ষা যদিও একেদিনাই তেওঁ কৰিব পাৰিলেহেঁতেন। তেজ আদি পৰীক্ষা কৰাৰ কাৰণেতো তাই ফিজ দিব লগা হ'লেই।"* ৩০

এনেদৰে দেখা গ'ল যে অৰ্থবানক নানা প্ৰলোভনেৰে আভুৱা ভাঁৰি ডাক্তৰ চক্ৰৱৰ্ত্তীয়ে চিকিৎসা আগবঢ়াইছে। অভাৱগ্ৰস্ত বেমাৰীক চিকিৎসা আগবঢ়োৱা যি সামাজিক দায়বদ্ধতা, সেয়া উক্ত ডাক্তৰৰ চৰিত্ৰত দেখা পোৱা নাযায়। উল্লেখ্য যে 'ডাক্তৰ' গল্পৰ মূল চৰিত্ৰ ডাক্তৰ নাৰায়ণ চলিহাৰ চৰিত্ৰক স্পষ্ট কৰিবলৈহে গল্পকাৰে উক্ত ডাক্তৰ চক্ৰৱৰ্ত্তীৰ চৰিত্ৰটো অংকন কৰিছে।

ধনৱানক অগ্ৰাধিকাৰ দিয়া বিচাৰ ধাৰাৰ আন এক চিত্ৰ 'নতুন জীৱন' গল্পৰ মাধৱ তালুকদাৰ আৰু বিমলৰ বিয়াৰ প্ৰসঙ্গত বৰ্তমান। অসমীয়া সমাজত যৌতুক লৈ বিয়া কৰোৱা পৰম্পৰা প্ৰাচীন। কেতিয়াবা নগদ টকা হাত পাতি লৈও কোনোৱে বিয়া কৰোৱা দেখা যায়। মন কৰিবলগীয়া যে ধনৱান অভিভাৱকৰ বাবেহে মোটা অংকৰ ধন দিয়া সম্ভৱ; কিন্তু তাকে কৰিবলৈ যাওঁতে দৰা-

৩০। লক্ষ্মীনাথ ফুকন, 'ডাক্তৰ', মৰমৰ মাধুৰী, পৃ. ১৩৮

কইনাৰ গুণগত দিশটো সদায়ে অৱহেলিত হয়। এই ক্ষেত্ৰত ৰোমেশ্বৰ খাটনিয়াৰে যিদৰে বিলাত ফেৰৎ ইঞ্জিনিয়াৰ বাবেই নিজৰ ছোৱালীক বিয়া দিব বিচাৰিছে, একেদৰে মাধৱেও অৰ্থবান বাপেক দেখি দহ হেজাৰ নগদ লৈ বিয়া কৰাব খুজিছে। পৰস্পৰৰ মনোভাৱ হ'ল যে বিলাতত পাছ কৰি অহা ইঞ্জিনিয়াৰ যেতিয়া ধনৱান আৰু দহ হেজাৰ টকা দিব পৰাকৈ ধনৱান বাপেক যেতিয়া তেওঁৰ ছোৱালী বিয়া কৰাব পাৰি। ধনৰ লালসাত পৰি মানুহ অন্ধ হয় আৰু পাৰস্পৰিক বিশ্বাস হয় সুদূৰ পৰাহত। মাধৱ আৰু বিমলৰ ক্ষেত্ৰতো সেয়া হৈছে। আগতীয়াকৈ টকাখিনি নিদিলে মাধৱে বিয়াত নবহে, আনহাতে ৰভাৰ তলত নবহিলে বিমলৰ ককায়েকে আগতে টকা নিদিয়ে। যি বিবাহ কাৰ্যই দুটা আত্মাক এক কৰে আৰু দুখন ঘৰক কৰে এখন, সেই বিবাহ প্ৰসঙ্গতে পৰস্পৰে পৰস্পৰক অবিশ্বাস কৰি দৰাচলতে নিজৰ চাৰিত্ৰিক ত্ৰুতিহে প্ৰদৰ্শন কৰিছে। এনে পৰিস্থিতিকে চিত্ৰিত কৰিবলৈ গৈ গল্পকাৰে ধনক অগ্ৰাধিকাৰ দিয়া ফোঁপোলা মনোবৃত্তিক হাস্য-ব্যঙ্গাত্মকভাৱে গল্পত অংকন কৰিছে। দুয়োপক্ষৰ ঠেক মনোভঙ্গী আৰু ধনক আগস্থান দিয়া বিচাৰধাৰাৰ প্ৰসঙ্গত নিৰ্মল হাস্য-ব্যঙ্গৰে গল্পকাৰে লিখিছে-

> *"দৰাই বিচাৰিলে আগতে টকা আৰু খাটনিয়াৰে কলে আগত বিয়া, পিছত টকা। দেউতাকৰ ঠাইত কুমুদেশ্বৰেই আজি কালি সকলো তত্বাবধান কৰে আৰু ঘৰো চলায়। তেওঁ দেউতাকতকৈয়ো একাঠি চৰা। কুমুদেশ্বৰে কলে, 'আগতে টকা দিম কেলেই? তেওঁ যদি আমাক ইমানেই অবিশ্বাস কৰিছে তেনেহলে বিয়াকে কৰাব নালাগে। ৰভাৰ তলতে তেওঁৰ টকা দি দিম, তাৰ আগত নহয়....।*
>
> *মাধৱৰ কথা একেষাৰ, "আগতে টকা, পিছত বিয়া", মাধৱে নিজকে নিজে কলে, 'এইবোৰ চহকী মানুহৰ একো বিশ্বাস নাই, বিশেষকৈ নতুনকৈ পাৰত গজা চহকীৰ। টকা আগতে নাপালে মই কেতিয়াও বিয়া নকৰোঁ।"*[৩১]

### ৪.১.৬ বনিয়া মাৰোৱাৰী আৰু হিন্দী প্ৰীতিৰ প্ৰতি কৰা ব্যঙ্গ

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমখন বৃটিছৰ বাবে বাণিজ্য ব্যৱস্থাৰ নতুন

৩১। লক্ষ্মীনাথ ফুকন, 'নতুন জীৱন', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ২২

ক্ষেত্ৰ হৈ পৰিল। দুখনকৈ বিশ্বযুদ্ধৰ বা-বতাহ লাগি এই ব্যৱস্থা পৰৱৰ্তী পৰ্যায়ত আৰু বেছি প্ৰসাৰিত হ'ল। ইয়াৰ উপৰিও ভাৰতীয় আন বনিয়া গোষ্ঠীৰ দ্বাৰা অসমৰ বজাৰ দখলৰ বাবে হেতা-ওপৰা লাগিল। বিশেষকৈ পঞ্জাৱ, ৰাজস্থান আদি ঠাইৰ পৰা অহা বনিয়া লোকে স্থানীয় উৎপাদিত শস্য কম দামত ক্ৰয় কৰি কৃষকৰ অৰ্থনৈতিক অৱস্থা শোচনীয় কৰি তুলিলে। ফলত এনে অৱনমিত অৰ্থনীতিৰ প্ৰভাৱত ন শিক্ষিত আৰু অৰ্ধশিক্ষিত যুৱ সমাজে শ্ৰমবিমুখ হৈ বিলাসী জীৱনৰ প্ৰতি আকৃষ্ট হ'বলৈ ধৰিলে। তাৰ মাজতে বহিৰাগত আন ভাৰতীয় ব্যৱসায়ীৰ প্ৰভাৱ ইমানে বেছি হৈ আহিল যে অসমীয়াৰ ভাষীক চেতনাত ইয়ে এক হিন্দী প্ৰীতি ভাৱনাৰ সংযোগ দিলে। কোনো বনিয়া মাৰোৱাৰীয়ে ফুটা -নুফুটা অসমীয়া ক'ব খোজাৰ দৰে অসমীয়াইও হেচি-ঠেলি হিন্দী মাত মাতি নিজক জাহিৰ কৰাৰ চেষ্টা চলোৱা দেখা গ'ল। লক্ষ্মীনাথ ফুকনে এইবোৰ কথাকে গল্পৰ জৰিয়তে তুলি ধৰি ক্ষয়িষ্ণু সমাজৰ স্বৰূপ উদঙাই দেখুৱাবলৈ চেষ্টা কৰিছে।

লক্ষ্মীনাথ ফুকনৰ এটি ব্যঙ্গাত্মক গল্প হ'ল 'নতুন সুৰ'। গল্পটোত ৰতনমল বাবুৰ জৰিয়তে তথাকথিত শিক্ষিত অসমীয়াৰ অহৈতুক হিন্দী প্ৰীতিক ব্যঙ্গ কৰা হৈছে।

সমাজত সঘনাই মোট সলোৱা মানুহৰ অভাৱ নাই। যুদ্ধপূৰ্ব বা যুদ্ধ পৰৱৰ্তী সময়তো ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবে স্বকীয়ত্ব জলাঞ্জলি দিয়া আৰু পৰিস্থিতিৰ সুবিধা ল'বলৈ গৈ নীচাত্মিকা ভাৱ পোষণ কৰা লোক বিৰল নাছিল। বাগিচাৰ চাহাবৰ আমোলা হৈ বেশ-ভূষাত নিজক চাহাব বোলোৱাটো যেন সেই সময়ৰ ন-অসমীয়াৰ স্বভাৱ হৈ পৰিল। তদুপৰি কথাই কথাই হিন্দুস্থানী মাত মাতি তলতীয়া কৰ্মচাৰী চলোৱাৰ এটা দস্তুৰো এই অসমীয়াৰ আচৰণত সাঙোৰ খায় পৰিল। জোৱা টাপলি মাৰা শব্দেৰে হিন্দী কথনৰ কাৰণ দৰ্শাই এনে লোকে হাস্যকৰ যুক্তি আগবঢ়োৱা দেখা গ'ল। 'নতুন সুৰ' গল্পৰ মূল চৰিত্ৰ এচিষ্টেন্ট মেনেজাৰ মাধৱ চন্দ্ৰ বৰুৱা এই নতুন শ্ৰেণীটোৰে প্ৰতিনিধি। ৰন্ধা-বঢ়াত অসন্তুষ্ট হ'লে মাধৱচন্দ্ৰই মুছলমান খানচামাক হিন্দুস্থানী ভাষাৰে প্ৰায়ে গালি দিয়া দেখা গ'ল। তেওঁৰ মতে হিন্দুস্থানী ভাষাৰ যি জোৰ অসমীয়াত তাক পাবলৈ নাই।

এই মানসিকতাকে গল্পত ব্যঙ্গ কৰা হৈছে এনেদৰে-

*"যিদিনা তেওঁ খাটাংকৈয়ে কয় ৰন্ধা বেয়া হৈছে বুলি সেই দিনা সি মাত-লগায়, "কেনেকৈ বেয়া হব হুজুৰ, ইমান মেহনৎকৈ মই ৰান্ধিছোঁ?*

*মাধৱে মনতে কয়, 'কেনেকৈ বেয়া হ'ব হুজুৰ? অৰ্থাৎ ৰন্ধা ভালেই হৈছে, মইহে ৰন্ধা ভাল হৈছে বুলি ধৰিব পৰা নাই। মই তেনেহলে ভাল ৰন্ধা কাক বোলে নেজানো। সি মোক তেনেহলে গালিকে পাৰিলে। এৰা গালি, গালি নহয়নো আৰু কি?*

*তেতিয়া তেওঁৰ হিন্দুস্থানী মাত ওলায়, কাৰণ তেওঁৰ মতে হিন্দুস্থানী ভাষাৰ যি জোৰ অসমীয়া ভাষাৰ সেই জোৰ নাই। তেওঁ কয়, "কিয়া বলতা হেই তুম? হাম নাহি জান্তা আচ্ছা হুয়া কি নাহি? ফেৰ এইছা ৰকম হগা তো হাম্ তুমকো কাম ছোৰাই দেগা, কৰণেকা মতলব হ্যেয় তো ঠিকছে কৰও, মতলব নাহি হ্যেয় তো কাম ছোৰ দেও। দোছোৰা খানচামা লে লেগা। চাদা ভাত দেখ্‌নেচে কাউৰকা কিয়া কম হ্যায়।"[৩২]*

মন কৰিবলগীয়া যে হিন্দুস্থানী মাতৰ জোৰ লগায়ে মাধৱ চন্দ্ৰই শেষত আব্দুলক কামৰ পৰা বৰ্খাস্ত কৰিছে। স্বাৰ্থপৰ ধনিক বেপাৰীৰ প্ৰতিনিধি ৰতনমল বাবু। তেওঁ হ'ল মাধৱচন্দ্ৰই কাম কৰা বাগিচাৰ নতুন মালিক। এচিষ্টেন্টৰ পৰা একেবাৰে মেনেজাৰ হ'বৰ চেষ্টা কৰা মাধৱ চন্দ্ৰৰ নিমন্ত্ৰণ ৰক্ষা কৰিলেও নিজৰ ব্যৱসায়িক স্বাৰ্থ তেওঁ জলাঞ্জলি দিয়া নাই। আনৰ তোষামোদে সহজে ভুলাব নোৱাৰা চৰিত্ৰ ৰতনমল। মাধৱ চন্দ্ৰৰ দ্বাৰা ইমান আদৰ-আপ্যায়নৰ অন্তৰালত আচলতে কি লুকাই আছিল, সেয়া বুজিও নুবুজা আৰু নুবুজিও বুজা প্ৰকৃতিৰ লোক তেওঁ। ৰতনমলৰ চৰিত্ৰৰ দ্বাৰা ধনি বেপাৰীৰ ভণ্ডামিক কেনেদৰে ব্যঙ্গ কৰা হৈছে তলৰ উদাহৰণৰ পৰা বুজিব পাৰি। যথা --

*"তেওঁ মানুহজন আদহীয়া, গণেশ পূজা কৰি তেওঁৰ পেটটোও হৈছে গণেশৰ দৰেই। তেওঁ বিয়া কৰোৱা ঘৈণীয়েক ঢুকাল, কিন্তু বিয়া নকৰোৱা ঘৈণীয়েক তেওঁৰ কলিকতাত দুঠাইত দুজনী আছে।"[৩৩]*

ব্যৱসায়ৰ স্বাৰ্থত ভাৰতৰ ভিন্ন প্ৰান্তলৈ ৰতনমল বাবুয়ে ঘূৰি ফুৰিবলগীয়া হয়। তাৰ মাজতো দুগৰাকীকৈ উপ-পত্নী ৰখাৰ কথাটোৱে চৰিত্ৰটোৰ কামুক স্বভাৱকে উদঙাই দিয়ে। মাধৱচন্দ্ৰই নিজৰ পত্নীক ৰতনমলৰ বেটীৰ দৰে বুলি চিনাকি দি দৰাচলতে ৰতনমলৰ নাৰী প্ৰীতিক উপহাসহে

৩২। লক্ষ্মীনাথ ফুকন, 'নতুন সুৰ', ওফাইদাং, পৃ. ৩৩

৩৩। উল্লিখিত গল্প, পৃ. ৩৯

কৰিছে। এইক্ষেত্ৰত ৰতনমলেও আত্মৰক্ষাৰ বাবে বয়োজ্যেষ্ঠৰ গাম্ভীৰ্য প্ৰদৰ্শন কৰিছে। তথাপি ইয়াৰ মাজেৰে ৰতনমলৰ চৰিত্ৰৰ ভণ্ডামি সকলোৰে আগত দেখদেখকৈ ওলাই পৰিছে।

লক্ষ্মীনাথ ফুকনৰ ‘ওফাইদাং’ গল্পৰ ৰতনমল বাবুৰ জৰিয়তে বনিয়া মাৰোৱাৰীৰ চতুৰালিক ব্যঙ্গ কৰা হৈছে। সকলো সময়তে নিজৰ ব্যৱসায়ীক লাভালাভৰ হিচাব ৰখা চতুৰ লোকৰ দ্বাৰা অসমৰ বজাৰ নিয়ন্ত্ৰিত। কোনো ৰাজনীতিকক সন্তুষ্ট কৰি চৰকাৰী কামৰ মুনাফা লুতিবলৈ এই চতুৰ বনিয়া মাৰোৱাৰীৰ নিতৌ নতুন তৎপৰতা। প্ৰয়োজনত কাৰোবাক ঘোচ্ দি হ’লেও কাম আদায় কৰাৰ এওঁলোক পক্ষপাতি। ঊনৈশ শতিকাৰ অসমত থকা এনে স্বাৰ্থপৰ, সুবিধাবাদী বনিয়াৰে প্ৰতিনিধি হ’ল গগনমল বাবু। তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলঙত গগনমলৰ দৰে বহু মাৰোৱাৰীৰ ভিৰ। সকলোৰে উদ্দেশ্য হ’ল মিনিষ্টাৰক মেনেজ কৰি চৰকাৰী কামৰ পাৰমিট লাভ কৰা। এনে উদ্দেশ্যকে সফল কৰিবলৈ গগনমলে অনন্তক নগদ টকা যাচি ঘোচ্ দিছে। মুনাফা লাভৰ বাবে গগনমলৰ দৰে বনিয়াই কিমান তললৈ নামিব পাৰে, তাকে উদঙাই দি গল্পকাৰে ব্যঙ্গ কৰিছে। গগনমল আৰু অনন্তৰ কথোপথনত ইয়াৰ উদাহৰণ স্পষ্ট। যেনে --

> *“গগনমল বাবু- মই ঠিকেই ধৰিছোঁ আপুনি পাৰিব, আপুনি নোৱাৰিলে, আনে নোৱাৰে। আপুনি যদি মোক এই কাৰবাৰটো দিয়াব পাৰে মই আপোাক পাঁচ হেজাৰ টকা দিম।*
>
> *অনন্ত-আপুনি কৈছে যেতিয়া মই চেষ্টা কৰি চাব পাৰো। কিন্তু এওঁ বৰ ওখোৰা মোখোৰা মানুহ।*
>
> *গগনমল বাবু- নহলেনো আকৌ আপোনাক ধৰিছোঁ কেলেই?*
>
> *অনন্ত- মই হয়তো পাৰিম, কিন্তু নোৱাৰিবও পাৰোঁ।*
>
> *গগনমল বাবু - আপুনি পাৰিবই লাগিব। এয়া লক, মই এতিয়া আপোনাক দুহেজাৰ টকা দিলোঁ, এই কুৰিখন এশটকীয়া নোট। যদি কাৰবাৰটো মোক দিয়াব পাৰে, তেনেহলে আৰু তিনি হেজাৰ পাব।”*[৩৪]

চৰকাৰী কামৰ বাবে গগনমলৰ হাতেৰে ভেটি দিয়া এনে কাৰ্যৰ জৰিয়তে গল্পকাৰে চতুৰ বনিয়াৰ চৰিত্ৰকে নগ্ন কৰি দেখুৱাইছে।

---

৩৪। লক্ষ্মীনাথ ফুকন, ‘ওফাইদাং’, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১৪

মাৰোৱাৰী বনিয়াৰ আন এক চাতুৰী 'পূজাৰ কাপোৰ' গল্পতো লক্ষ্য কৰা যায়। আনক দেখুৱাই সমাজসেৱা আৰু নেদেখাকৈ নিজৰ পেট পূজা কৰা প্ৰকৃতিৰ লোক কৃষ্ণদুলাল খেম্‌কা। নিজৰ জেপৰ দুহাজাৰ ধন ভাঙি দেখাত বানপীড়িতৰ সহায় কৰিছে; আনহাতে তাৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি গৱৰ্ণমেন্টৰ পৰা পাৰমিট লাভৰ বাঞ্ছা ৰাখিছে। এই ক্ষেত্ৰত তেওঁৰ হকে মধ্যস্থতাকাৰীকো লাভৰ অংশ দিব বুলি প্ৰলোভিত কৰি ৰাখিছে। চলাহি কথাৰে অসমীয়া বুলি নিজকে জাহিৰ কৰি খেমকাই হাস্যকৰভাৱে নিজৰ অল্পবুদ্ধি আৰু নিচাত্মীকাবোধৰ পৰিচয় দিছে। খেম্‌কাৰ এনে কাৰ্যৰ জৰিয়তে বনিয়াৰ স্বাৰ্থপৰ চৰিত্ৰক ব্যঙ্গ কৰি গল্পত ফুটাই তোলা হৈছে এনেদৰে—

> *"...... খেম্‌কাই পটঙীয়াক ঘোকোটা মাৰি দি ফুচফুচাই কোৱাদি ক'লে- "কক পটঙীয়া বাবু, মুখ্যমন্ত্ৰীক মোৰ কথাটো কৈ দিয়ক।" পটঙীয়াক কিছুদিনৰ পৰা খেম্‌কাই ধৰি আছে গৱৰ্ণমেন্টৰ পৰা কিবা এখন পাৰমিট লোৱাই দিবলৈ, লোৱাই দিলে তেওঁৰো যে মুনাফা হ'ব সেই কথাও খেমকাই পটঙীয়াক নোকোৱাকৈ থকা নাই। এতিয়া মুখ্যমন্ত্ৰী অহা গম পাই খেম্‌কাই পটঙীয়াক ধৰিলে তেওঁ যেন মুখ্যমন্ত্ৰীক এবাৰ কৈ দিয়ে"*[৩৫]

উল্লেখ্য যে যুদ্ধোত্তৰ অসমত এনে ছবি অতি সুলভ আছিল। গল্পকাৰে কৌশলেৰে এই ভণ্ডামিবোৰৰ স্বৰূপ উদঙাই দি দৰাচলতে তদানীন্তন অসমৰ একশ্ৰেণী ভণ্ড, চৰিত্ৰহীন আৰু অন্তঃসাৰশূন্য মানসিকতাকহে ব্যঙ্গ কৰিছে।

লক্ষ্মীনাথ ফুকনৰ এটি উল্লেখযোগ্য গল্প হ'ল 'বিহু সন্মিলন'। ধুৰন্ধৰ বেপাৰীৰ স্বাৰ্থপৰতাক উদঙাই গল্পকাৰে উক্ত গল্পত হাস্য-ব্যঙ্গাত্মক চিত্ৰ অংকন কৰিছে। ব্যৱসায়ীক লাভালাভৰ আকাংক্ষাত নীতি বহিৰ্ভূতভাৱে কাম কৰা, তোযামোদেৰে বিভিন্ন ৰাজনৈতিক, অৰাজনৈতিক সংগঠনসমূহক হাতত ৰখা আদি কাৰ্যত হুকুমচান্দ গোৱেংকা বৰ পটু লোক। চাঁদা-বৰঙণি বিচাৰি অহা লোকক তেওঁ কেতিয়াও নিৰাশ নকৰে আৰু তাৰ জৰিয়তে বাণিজ্যিক মুনাফা লাভৰ বাবে অহৰহ ফন্দি পাতে। মন্ত্ৰী মহোদয় আহিবলগীয়া সভাত বৰঙণিৰ বাবে হুকুমচান্দ গোৱেংকাক বেছি জোৰ কৰিবলগীয়া নহয়। দেশসেৱা অথবা সমাজসেৱা সকলো কথাতে ব্যৱসায়ৰ লাভ-লোকচানৰ

৩৫। লক্ষ্মীনাথ ফুকন, 'পূজাৰ কাপোৰ', আনন্দে নধৰে হিয়া, পৃ. ১৯৭

অংক কৰিহে তেওঁ পদক্ষেপ হাতত লয়। আনকি অসমীয়াৰ জাতীয় উৎসৱ বিহু সন্মিলনৰ বাবে চাঁদা দিয়াৰ অন্তৰালতো তেওঁ স্বাৰ্থ পুৰণৰ যোগ দেখে। সন্মিলনৰ চাহ জলপানৰ খৰচ বহন কৰাৰ অন্তৰালতো এনে অংকই বৰ্তমান। গল্পকাৰে চৰিত্ৰটোৰ এনে ফোঁপোলা মনোবৃত্তিকে গল্পত স্পষ্ট কৰি তুলিছে। তলৰ বিৱৰণখিনি ইয়াৰ উদাহৰণ --

> *"হুকুমচান্দ বাবুৱে কাপোৰৰ পাৰমিটৰ কাৰণে টেণ্ডাৰ দিছে, আৰু যাতে তেওঁ পাৰমিট পায় তাৰ বাবে চেষ্টা কৰিবলৈ বাকী থোৱা নাই। এইখিনি খৰছো তাৰ লগৰে যেনিবা। কংগ্ৰেছী মহলে মাজে সময়ে তেওঁৰ পৰা এনেকৈ টকা আদায় কৰি থাকেই, ক'ত বাৰ যে তেওঁ এনে চাহমেলৰ খৰছ বহন কৰিছে, মহিলা মহামণ্ডলক তেওঁ এতিয়া নিৰাশ কৰিবনে? মহিলা মহামণ্ডলকো পাৰিলে হাতত ৰখা ভাল, কাম আহিব পাৰে। তদুপৰি মুখ্যমন্ত্ৰীয়ে বিহু সন্মিলনত সভাপতিত্ব কৰিব যেতিয়া তেওঁ পিছ হোঁহকা ঠিক নহ'ব।"*[৩৬]

যুদ্ধোত্তৰ যুগৰ ৰাজনৈতিক পৰিবৰ্তনে আৰ্থ সামাজিক ব্যৱস্থাটোকো প্ৰভাৱিত কৰিছিল। ফলত *"অসমৰ ন শিক্ষিত আৰু অৰ্ধশিক্ষিত যুৱসমাজে ক্ৰমশঃ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক মূল্যবোধতকৈ ভোগবাদী বিলাসী জীৱনৰ প্ৰতিহে অধিক আগ্ৰহ"*[৩৭] প্ৰকাশ কৰিবলৈ লৈছিল। এই পৰিস্থিতিৰ সৰ্বাধিক সুবিধা আদায় কৰিছিল আন ভাৰতীয় বনিয়াসকলে। সাংস্কৃতিক চেতনাহীন লোকৰ মদতপুষ্ট হৈ এনে বনিয়াসকলে সমসাময়িক ৰাজনীতিকৰ আশীৰ্বাদ লাভ কৰিবলৈ সক্ষম হৈছিল। গল্পকাৰে এই সকলো কথাকে আগত ৰাখি হুকুমচান্দৰ স্বাৰ্থপৰতা অংকন কৰিছে আৰু অসমত বহিৰাগতৰ অবাধ বাণিজ্যিক প্ৰসাৰতাৰ কাৰকসমূহক হাস্য-ব্যঙ্গৰ মাজেৰে দেখুৱাই দিছে।

### **৪.১.৭ সংবাদপত্ৰৰ সস্তীয়া প্ৰচাৰধৰ্মী চৰিত্ৰৰ প্ৰতি ব্যঙ্গ**

বাতৰি কাকত বা সংবাদপত্ৰ গণতন্ত্ৰৰ 'চতুৰ্থ স্তম্ভ'। *"ৰাইজৰ স্বাৰ্থত, গণতন্ত্ৰৰ স্বাৰ্থত বাতৰি আৰু মত প্ৰকাশৰ স্বাধীনতা বাতৰি কাকতৰ মূল্যবান আৰু গুৰুত্বপূৰ্ণ অধিকাৰ।"*[৩৮] কিন্তু

---

৩৬। লক্ষ্মীনাথ ফুকন, 'বিহু সন্মিলন', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৮৭

৩৭। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.১৭৭

৩৮। গৌৰীশংকৰ ভট্টাচাৰ্য, 'অসমৰ বাতৰি কাকতৰ ভূমিকা আৰু সমস্যাঃ স্বাধীনতাৰ আগৰ আৰু পিছৰ কালছোৱাত', অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, সম্পা., চন্দ্ৰপ্ৰসাদ শইকীয়া,পৃ. ৫১২

এই অধিকাৰৰ পৰা আঁতৰি আহি তথাকথিত বহু সাংবাদিকে উদ্দেশ্যপ্ৰণোদিতভাৱে বাতৰি পৰিবেশন কৰা পৰিলক্ষিত হয়। তদুপৰি কোনো ৰাজনীতিকৰ হস্তক্ষেপ নাইবা ব্যৱসায়িক স্বাৰ্থতো কোনো কোনো সংবাদপত্ৰই মাত্ৰাধিক প্ৰচাৰধৰ্মিতাৰ আশ্ৰয় লোৱা দেখা যায়। ইয়াৰ অন্তঃস্থলত সংবাদপত্ৰৰ বিক্ৰীৰ সংখ্যা বঢ়োৱাৰ কামনা নিহিত থকা যেন বোধ হয়। অৱশ্যে কৌতুহল আৰু চাঞ্চল্য সৃষ্টি কৰি পৰিবেশন কৰা এনে বাতৰিয়ে সমাজৰ কোনো কল্যাণ সাধিব নোৱাৰে, তথাপি মালিক পক্ষৰ ব্যৱসায়িক লাভালাভৰ স্বাৰ্থত দুই এখন সংবাদপত্ৰই কৌতুহল আৰু চাঞ্চল্যকৰ বাতৰি পৰিবেশনৰ পৰম্পৰা অব্যাহত ৰাখে। সংবাদসেৱাৰ মূল দায়িত্ব আৰু কৰ্তব্যৰ পৰা আঁতৰি অহা বাতৰি কাকতৰ এইধৰণৰ সস্তীয়া প্ৰচাৰধৰ্মী চৰিত্ৰকে ‘শেষ আশ্ৰয়’ গল্পৰ ‘অসম দৰ্পন’ কাকতৰ প্ৰসঙ্গেৰে ব্যঙ্গ কৰা হৈছে। যক্ষ্মা ৰোগী কুমুদেশ্বৰক আৰ্থিক সহায়ৰ বিপৰীতে মাত্ৰ ‘অসম দৰ্পন’ কাকতত ফটো উঠাই দায়িত্ব সামৰিব খোজা ফটো সাংবাদিক মুকুলৰ চতুৰ তৎপৰতা, সমাজ আৰু কৰ্তৃপক্ষ সকলোকে তীক্ষ্ণ সমালোচনাৰে থকা সৰকা কৰিবলৈ কলম পোনাই ৰখা কাকতৰ সম্পাদক কমলনাথ বৰুৱাৰ তথাকথিত বৌদ্ধিক বিচক্ষণতা আৰু অচিৰেই মৃত্যু হ’বলগীয়া কুমুদেশ্বৰক সৎকাৰ কৰাৰ দায়িত্ব লোৱা গোবিন্দ প্ৰসাদৰ মিছা ব্যস্ততাক লক্ষ্মীনাথ ফুকনে গল্পত ইতিকিং কৰিছে। এই ক্ষেত্ৰত হাস্য-ব্যঙ্গৰ মাজেৰে কোৱা কথাখিনিয়ে ইয়াৰ উদাহৰণ-

> *“মুকুলৰ কথাৰ ধৰণৰ পৰা কুমুদেশ্বৰ বেছি দিন নিজীৰ বুজিব পাৰি গোবিন্দ প্ৰসাদে কলে, কুমুদেশ্বৰ মৰাৰ খবৰ পালেই তুমি মোক তুৰন্তে খবৰ দিবা। আমাৰ মানুহেও তাৰ খবৰ লৈ থাকিব। তথাপিও তুমি খবৰ দিবলৈ নেপাহৰিবা, তুমিয়েই কিজানি আগতে খবৰ পোৱা- কাগজৰ ৰিপৰ্টাৰ তুমি। খবৰ পালেই মই আমাৰ ছপাখানাৰ পৰা মানুহ পঠিয়াই দিম তাক সৎকাৰ কৰিবলৈ। তাৰ লগত কাম কৰা কম্পোজিটাৰ আৰু আন মানুহ গৈ লাগি ভাগি তাক খৰি দিবগৈ। অৱশ্যে তুমি ধৰিবই পাৰিছা সকলো খৰছ মোৰ। কুমুদেশ্বৰৰ মৃত্যুৰ সংবাদ ‘অসম দৰ্পন’ত ফটোৰে সৈতে আকৰ্ষণীয়কৈ উলিয়াবলৈ কমলানাথ আৰু মৃতদেহৰ সৎকাৰ দেখনিয়াৰকৈ কৰিবলৈ গোবিন্দ প্ৰসাদ সন্তুষ্ট হৈ ৰ’ল। এতিয়া সি অনুগ্ৰহ কৰি মৰিলেই হয়।”*[৩৯]

---

৩৯। লক্ষ্মীনাথ ফুকন, ‘শেষ আশ্ৰয়’, আনন্দে নধৰে হিয়া, পৃ.১৬১

উল্লেখ্য যে এনেধৰণৰ ব্যঙ্গ বৰ্ণনা লক্ষ্মীনাথ ফুকনৰ মনৰ পৰা ওলোৱা আক্ৰোষ নহয়; বৰং তেওঁৰ মোহমুক্ত শীতল দৃষ্টিত ধৰা পৰা *"সমকালীন সমাজৰ একশ্ৰেণী ভণ্ড, চৰিত্ৰহীন আৰু অন্তঃসাৰশূন্য মানসিকতাৰ মানুহৰ চৰিত্ৰ"*[৪০] ৰ হাস্যকৰ উপস্থাপনহে। ইয়াৰ জৰিয়তে তদানীন্তন সংবাদপত্ৰৰ সস্তীয়া প্ৰচাৰধৰ্মী চৰিত্ৰ জল্‌জল্ পট্‌পট্‌কৈ ওলাই পৰিছে।

৪.১.৮ **আভুৱা ভাঁৰা ৰাজনীতিকৰ প্ৰতি ব্যঙ্গ**

ভাৰত স্বাধীন হোৱাৰ পিছৰে পৰা সৰ্বস্তৰৰ লোকেৰে ৰাজনীতিৰ সৈতে পৰিচয় হ'ল। জনসাধাৰণক পৰিচালনাৰ দায়িত্ব লোৱা গোটেই ৰাজনৈতিক ব্যৱস্থাটোৱে দেশৰ প্ৰজাসাধাৰণৰ মঙ্গলৰ হ'কে কাম কৰিবলৈ দায়িত্ব ল'লে। কিন্তু সময়ৰ লগে লগে *"ৰাজনীতি শব্দটো অনিয়ম, কূট-কৌশল, ষড়যন্ত্ৰ, অভিসন্ধি, চক্ৰান্ত, প্ৰৰোচনা, ভণ্ডামি, অন্যায়, দুৰ্নীতি, মিথ্যাচাৰ আদি বুজাবলৈ ব্যৱহাৰ"*[৪১] হ'বলৈ ধৰিলে। এইক্ষেত্ৰত আভুৱা ভাঁৰা ৰাজনীতিকৰ সংখ্যা বৃদ্ধিয়ে ইয়াৰ মূল কাৰণ বুলি ক'ব পৰা যায়। ৰাজনীতিকৰ এনে কাৰ্যই সমসাময়িক সকলো ক্ষেত্ৰতে প্ৰভাৱ পেলোৱা দেখা গ'ল। বিশেষকৈ সাহিত্যিকসকলৰ চিন্তাৰ পৰিমণ্ডল আভুৱা-ভাঁৰা ৰাজনীতিকৰ কাম-কাজৰ দ্বাৰা ভাৰাক্ৰান্ত হোৱা দেখা গ'ল। এটা জাতিৰ ভৱিষ্যত এনে ৰাজনীতিকৰ দ্বাৰা যে সুৰক্ষিত নহ'ব, এই কথাটোকে দেখুৱাই দি কোনো কোনো সাহিত্যিকে নিজ সাহিত্যকৰ্মত তাক ৰূপদান কৰিব ধৰিলে। এনে সাহিত্যিকৰে অন্যতম লক্ষ্মীনাথ ফুকনেও নিজ সাহিত্যকৰ্মত (গল্পত) তদানীন্তন আভুৱা-ভঁৰা ৰাজনীতিকৰ স্বৰূপ উদঙাই দি সমাজ সচেতনতাৰ পৰিচয় দিয়াৰ চেষ্টা কৰিলে।

লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত 'পূজাৰ কাপোৰ' আভুৱা-ভাঁৰা ৰাজনীতিকৰ চিত্ৰবাহক অন্যতম গল্প। অৱশ্যে মূল বিষয়ৰ স'তে প্ৰাসঙ্গিকতা ৰক্ষা কৰিহে গল্পটোত উক্ত ৰাজনীতিক আৰু নেতা-পালিনেতাৰ কথা সংযোগ কৰা দেখা গৈছে। আমাৰ সমাজত বানপানীৰ দ্বাৰা আক্ৰান্ত লোকক চোৱা চিতাৰ দায়িত্ব লৈ তাক পালন নকৰা বিষয়াৰ অভাৱ নাই। আধা বিতৰণ কৰি আধা হৰলুকি কৰাৰ নজিৰো বহু আছে। কেৱল প্ৰতিশ্ৰুতিৰ বাণীৰে সীমাহীন প্ৰৱঞ্চনা কৰা ৰাজনীতিকো দুই চাৰিজন ওলাব। তাৰ মাজতে আকৌ ৰাজ্যৰ খোদ মুখ্যমন্ত্ৰী আহি পৰিস্থিতিৰ স'তে মোকাবিলা

৪০। প্ৰহ্লাদ কুমাৰ বৰুৱা, 'লক্ষ্মীনাথ ফুকনৰ গল্প', লক্ষ্মীনাথ ফুকন জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ.৭১

৪১। দেৱকান্ত সন্দিকৈ, মানৱতাৰ সাধনা, পৃ.১২৮

কৰাৰ উদাহৰণো পেপাৰে-পত্ৰে মাজে মাজে চকুত পৰে। অথচ তাৰ পিছতো এনে বহু লোক আছে, যিয়ে দুৰ্দশাগ্ৰস্ত হৈ আহাৰ, বস্ত্ৰ আৰু বাসস্থানৰ সুবিধা নাপায় হা-হুমুনিয়াহ কাঢ়িবলৈ বাধ্য হয়। গল্পত এনে পৰিবেশকে তুলি ধৰি গল্পকাৰে চৰকাৰী ব্যৱস্থাৰ নগ্ন সত্য উত্থাপন কৰিছে। হাস্য-ব্যঙ্গাত্মক তেনে এটা উদাহৰণ-

> *"জিলাৰ উপায়ুক্ত আৰু দুই চাৰিজন বিষয়া আহিছে বানপানীত জুৰুলা হোৱা মানুহবিলাকক চাবলৈ আৰু সাহায্যৰ দিহা কৰিবলৈ। সাহায্য ইয়াৰ ভিতৰতে কিছু দিয়া হৈছে- চাউল আদি খোৱা বস্তুৰো যোগান ধৰা হৈছে, আৰু কাপোৰ কানিও যি পাৰে দিয়া হ'ব বুলি আশ্বাস দিয়া হৈছে, কিন্তু এতিয়ালৈকে এডুখুৰি কাপোৰো আহি পোৱা নাই। কংগ্ৰেছ আৰু অন্যান্য দলৰ নেতা আৰু নেতা হ'বলৈ বিচৰাসকল আহি গৈ আছে।"*[৪২]

বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাতো চৰকাৰী পক্ষৰ কৰ্তব্য। অথচ এইহেন সময়তো সহায়ৰ নাটক ৰচি বহু নেতা-পালিনেতাই ৰাজনৈতিক লাভালাভৰ অংক কৰে। গতিকে শাসনযন্ত্ৰটোৰ সকলো পক্ষই যিমানে লৰা-ঢপা নকৰক কিয়, এয়া যে কেৱল ভণ্ডামিহে; সেই কথাটোকে গল্পকাৰে নিৰ্মমভাৱে উপস্থাপন কৰি ৰাজণ্যবৰ্গক উপহাস কৰিছে। বন্যাক্ৰান্তৰ মাজত ফটা কাপোৰেৰে গা ঢাকিব নোৱাৰা এগৰাকী মহিলাক উপস্থাপন কৰি গল্পত চৰকাৰী পক্ষৰ প্ৰতি যিদৰে নিন্দা কৰা হৈছে, তাৰ দ্বাৰা গল্পকাৰৰ মনত থকা ব্যঙ্গৰ চোক ঘনীভূত হয়। এইক্ষেত্ৰত গল্পকাৰে দিয়া এটা বৰ্ণনাকে উদাহৰণ হিচাপে দেখুৱাব পাৰি—

> *"শ্বিলঙৰ পৰা মুখ্যমন্ত্ৰী ওলালহি পাৰিষদবৰ্গৰে সৈতে। তেওঁ এই নিৰীহ মানুহবোৰৰ দুখত দুখ প্ৰকাশ কৰিলে আৰু আন্তৰিক সমবেদনা জনালে। আগতে জিলাৰ উপায়ুক্তৰ লগত তেওঁ পৰামৰ্শ কৰিছিল, এতিয়া মথাউৰিটোৰ ওপৰতো তেওঁলোক দুয়োৰে ভিতৰত পৰামৰ্শ হ'ল। উপায়ুক্তই ক'লে- "স্কুল আৰু কলেজ এতিয়া বন্ধ। নগৰৰ স্কুলকেইটালৈকে নি মানুহখিনি কিছুদিন ৰাখিব লাগিব। মই তাৰ ব্যৱস্থা কৰিছোঁ।" মুখ্যমন্ত্ৰীয়ে তেওঁক শলাগিলে আৰু শ্বিলঙলৈ ঘূৰি গৈয়েই এতিয়া দিয়া টকাৰ উপৰি আৰু কিছু টকা দিব বুলি জনালে।*

---

৪২। লক্ষ্মীনাথ ফুকন, 'পূজাৰ কাপোৰ', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ.১৯৫

*লগত যোৱা পাৰিষদসকল আপ্যায়িত হ'ল। ওচৰতে বেৰ নথকা ছালিৰ তলত কুঁচিমচি বহি থকা গাভৰু তিৰোতা এজনী ফটা ছেলেংখনৰ মাজেদি গাটোৰ কোনোবা অংশ কেনেবাকৈ ওলাই বুলি বাঁহৰ খুটাটোত লুকাব খুজি  লুকাব নোৱাৰি আৰু কোঁচমোচ খাই বহি ৰ'ল।"*[৪৩]

এনেদৰে গ্ৰামীণ সমাজত থকা বানপানীৰ ভয়াৰহতা গল্পটোত বিবৃত হৈছে। এয়া নিশ্চিতভাৱে নিম্নবিত্তৰ এক জলন্ত সমস্যা। গল্পকাৰে গভীৰ পৰ্যৱেক্ষণশীলতাৰে এনে ঘটনা সন্নিবিষ্ট কৰি গল্পটোক জীৱন্ত কৰি তুলিছে। ইয়াতে *"ফুকন বাস্তৱ জীৱন আৰু জগতৰ ৰূপকাৰ বোলাৰ সাৰ্থকতা।"*[৪৪]

ৰাজনীতিকৰ প্ৰতি ব্যঙ্গ-বিদ্ৰুপ থকা আন এটা গল্প হ'ল 'সঙ্গীত সন্মিলন'। সুবিধা পালেই নিজৰ কৃতকৰ্মৰ যশস্যা বোলোৱা লোক আমাৰ মাজত বিৰল নহয়। তাতে আকৌ কোনো দল সংগঠনৰ নেতা হ'লে আত্মযশ বিতৰণৰ প্ৰসঙ্গত তেওঁ আৰু বেছি পটু হয়। আনক তোষামোদ কৰিবলৈ ভালপোৱা এনে লোকে আনৰ মুখতো নিজৰ চৰিত্ৰৰ বন্দনা শুনিবলৈ আশা পালি থাকে। সভা সমিতি বা কাৰোবাৰ ঘৰুৱা নিমন্ত্ৰণতো এনে লোকৰ উচ্ছাত্মীকাবোধ অটুত থাকে। তদুপৰি ভৱিষ্যতে নিৰ্বাচনৰ বৈতৰণী পাৰ হ'বৰ বাবে নিজৰ বা দলৰ সমৰ্থক বঢ়োৱাৰ সুযোগ সন্ধান এওঁলোকৰ চৰিত্ৰৰ বৈশিষ্ট্য হিচাপে পৰিলক্ষিত হয়। ৰাজনীতিক লেতেৰা কৰা এনে লোকৰে প্ৰতিনিধি এম.এল.এ. কীৰ্ত্তিভূষণ খাটনিয়াৰ। তেওঁৰ চৰিত্ৰ চিত্ৰণেৰে গল্পত আভুৰা-ভাঁৰা ৰাজনীতিকৰ প্ৰতি ব্যঙ্গ কৰা হৈছে।  এম.এল. এ কীৰ্ত্তিভূষণ খাটনিয়াৰ আৰু মদনমাধৱৰ কথোপকথনেৰে ৰাজনীতিকৰ চৰিত্ৰ উদঙাই গল্পত কোৱা হৈছে এনেদৰে—

*"এইকেইদিন খাটিয়েই পালে নহয় গমটো। আমি যে কংগ্ৰেছৰ কামত দিনে নিশাই হাড়ক মাটি তেজক পানী কৰি কিমান দিন কিমান মাহ কিমান বছৰ খাটিলোঁ। জেইললৈকো গলো কেইবাৰ। নহলে পালেহেঁতেন ভাৰতবৰ্ষই স্বাধীনতা? কিন্তু এতিয়া এনে লোকো ওলাইছে আৰু কংগ্ৰেছৰ ভিতৰতে তেনে লোক আছে যিসকলে মই এম. এল. এ হোৱাটাকে সহিব পৰা নাই।*

৪৩।  লক্ষ্মীনাথ ফুকন, 'পূজাৰ কাপোৰ', আনন্দে নধৰে হিয়া, পৃ.১৯৫
৪৪।  প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.৭১

*আমি বৰ খিয়লীয়া, বুজিছে বৰবৰুৱা? মই বোলে মন্ত্ৰী হবৰ যোগ্য নহওঁ। কিন্তু বাৰু আপুনিয়ে ককচোন মোতকৈ যোগ্য লোক নো গোটেই অসমত কেইজন আছে? মই মন্ত্ৰী হোৱা হ'লে নুশুৱালেহেঁতেন নে? কেলেই নুশুৱালেহেঁতেন। আপুনি কিন্তু হতাশ নহ'ব। কোনে জানে অহা নিৰ্বাচনৰ পিছত আপুনিয়েই কিজানি মুখ্যমন্ত্ৰী হয়।"*[৪৫]

এনেদৰে দুই এটা গল্পৰ জৰিয়তে হ'লেও তথাকথিত ৰাজনীতিকৰ স্বাৰ্থপৰতাৰ ছবি গল্পকাৰে অংকন কৰিবলৈ সমৰ্থ হৈছে। উল্লেখ্য যে ৰাজনীতিকৰ আভুৱা-ভাঁৰা চৰিত্ৰ চিত্ৰণেৰে গল্পত তদানীন্তন ৰাজনৈতিক ব্যৱস্থাটোকে ইতিকিং কৰা হৈছে। লক্ষ্মীনাথ ফুকন সামাজিকভাৱে দায়ৱদ্ধ লিখক। সাংবাদিক বৃত্তিৰ বাবে খবৰ সংগ্ৰহৰ তাগিদাত কাম কাৰোঁতে সময়ে সময়ে তদানীন্তন সমাজ আৰু ৰাজনীতিৰ বিভিন্ন পৰ্যায় তেওঁ দেখিবলৈ সুচল পায়। তাৰ পৰিপ্ৰেক্ষিতত আকৌ আৰ্থ সামাজিক বৈষম্যবোৰৰ দ্বাৰায়ো তেওঁ প্ৰচুৰ পৰিমাণে প্ৰভাৱিত হয়। গতিকে সমাজ সচেতনতাবশতঃ সমাজ বাস্তৱতা অংকন কৰোঁতে গল্পকাৰ লক্ষ্মীনাথ ফুকনে স্বেচ্ছাই হাস্য-ব্যঙ্গৰ আশ্ৰয় লয়। অৱশ্যে এই ব্যঙ্গ সহানুভূতি আৰু সহনশীলতাৰে কোমল। এইখিনিতে বাণীকান্ত কাকতিৰ মন্তব্য প্ৰণিধানযোগ্য-

*"সামাজিক জীৱনৰ দাগবোৰক আঙুলিয়াই গৰিহণাপূৰ্ণ বক্তৃতা দিলে কোনো ফল নফলে। বক্তৃতা বা গৰিহনা বৰষুণৰ পানীৰ দৰে। মাটিতে শুকাই যায়। সেই দাগবোৰক কেন্দ্ৰস্থ কৰি যদি ৰচনাত্মক সমালোচনা দিব পৰা যায়, তেনেহ'লে ৰসনাপূৰ্ণ গল্পৰ লগে লগে সমালোচনা মুখে মুখে বাগৰি ফুৰিব আৰু যাক লক্ষ্য কৰি সমালোচনা কৰা হয় তাক গৈ শেষত আঘাত কৰিব।"*[৪৬]

লক্ষ্মীনাথ ফুকনৰ হাস্য-ব্যঙ্গই মূল লক্ষ্যত আঘাত কৰি সমাজ সমালোচনাৰ দায়িত্ব পালন কৰা দেখা যায়। মন কৰিবলগীয়া যে সমাজ সদায়ে বহুধা বিভক্ত আৰু প্ৰায় সকলো দিশতে অসৎ প্ৰবৃত্তিৰ পয়োভৰ। চৰকাৰী কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি ব্যক্তিগত সচিবলৈকে সকলো ক্ষেত্ৰতে ধন আৰু ধনী শ্ৰেণীৰ প্ৰভাৱ বৰ্তমান। নীতি আদৰ্শ যেন সুদূৰ পৰাহত। গতিকে সহজলভ্য ধনৰ লালসাই ঊনবিংশ শতিকাৰ সমাজতো জন্ম দিয়ে এচাম ঘোচ্‌খোৰ

৪৫। লক্ষ্মীনাথ ফুকন, 'সঙ্গীত সন্মিলন', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ.৯০
৪৬। বাণীকান্ত কাকতিৰ পত্ৰ, ওফাইদাং

নৰজাতক। আমাৰ চিনাকি চৰিত্ৰ কিছুমানেৰে এই শ্ৰেণীটোকে চিনাক্ত কৰি গল্পকাৰে গল্পত ব্যঙ্গ কৰিছে। ৰাজহুৱা সভা-মহোৎসৱ পাতি টকাৰ হৰলুকি কৰা, চলাহি কথাৰে চান্দা-বৰঙণি তুলি নিজৰ উদৰ পুৰোৱা লোক আমাৰ সমাজত বহু আছে। এনে লোকৰে নাক কাটি লাজ দিবৰ বাবে গল্পকাৰ যত্নপৰ যেন বোধ হয়। দৰাচলতে, তথাকথিত আধুনিকতা আৰু নগৰকেন্দ্ৰীক আড্যৰন্তৰ মানসিকতাই অন্য মানুহক নীতি উলংঘনৰ বাবে উচতনি দিয়ে। লক্ষ্মীনাথ ফুকনৰ গল্পই তদানীন্তত সমাজৰ উক্ত দিশকো উদঙাই দি হাস্য-ব্যঙ্গৰ জৰিয়তে গল্পত উপস্থাপন কৰিছে।

শিক্ষিতৰ ফোঁপোলা মনোবৃত্তি সমাজৰ বাবে চিৰন্তন সমস্যা। এনে শিক্ষিতৰ ওচৰত সময়ে সময়ে বহুলোক হয় আশাহত। তাতে আকৌ অসমীয়া ভাষা বিদ্বেষী মনোভাৱে এই তথাকথিত শিক্ষিতৰ দায়িত্বহীনতাক অধিক পৰিমাণে প্ৰকট কৰি তোলা দেখা যায়। একে সময়তে ধনৱানক অগ্ৰাধিকাৰ দিয়া এচাম অৰ্থলোভীৰ আবিৰ্ভাৱে এটা জাতিৰ শিক্ষাৰ বাট বিনষ্ট কৰাও পৰিলক্ষিত হয়। অৰ্থৰ লালসাৰে লালায়িত মাৰোৱাৰীৰ নানা বাণিজ্যিক অভিলাস আৰু তেওঁলোকৰ লগ লাগি মধ্যভোগী অসমীয়াৰ অহৈতুক হিন্দী প্ৰীতি তদানীন্তন সমাজৰ আন এক ক্ষয়িষ্ণু বাস্তৱতা। একেদৰে ৰাইজৰ স্বাৰ্থলৈ পিঠি দি কেৱল প্ৰচাৰধৰ্মী চৰিত্ৰ প্ৰদৰ্শন কৰা সংবাদপত্ৰ তদানীন্তন সমাজৰ বাবে অন্য এক আঁহুকাল। গল্পকাৰ লক্ষ্মীনাথ ফুকনে এনে সকলোবোৰ দিশকে ব্যঙ্গৰ জৰিয়তে গল্পত উদঙাই দেখুৱাইছে।

'ৰাজনীতি' গণতান্ত্ৰিক ৰাষ্ট্ৰব্যৱস্থাত গুৰুত্বপূৰ্ণ বিষয়। আভুৱা ভাঁৱা ৰাজনীতিকৰ সংখ্যা বৃদ্ধি আকৌ এই একেটা ৰাষ্ট্ৰযন্ত্ৰৰ বাবে মহা সংকট। এই দিশটোকে উন্মোচন কৰি গল্পকাৰে দুই এটা গল্পত তাকো ৰূপদান কৰা দেখা গৈছে। উপযুক্ত পৰিবেশ ৰচনাৰে চৰিত্ৰাঙ্কণৰ পাৰদৰ্শিতা দেখুৱাই গল্পকাৰ লক্ষ্মীনাথ ফুকনে দৰাচলতে প্ৰচুৰ সমাজ সচেতনতাৰহে পৰিচয় দিছে। এইক্ষেত্ৰত যিবোৰ চৰিত্ৰক তেওঁ প্ৰতিনিধি চৰিত্ৰ হিচাপে উপস্থাপন কৰিছে, তাৰ জৰিয়তে গল্পকাৰৰ চৰিত্ৰ চয়ন ক্ষমতা আৰু মানৱীয় দূৰদৃষ্টি প্ৰকট হৈ উঠিছে।

গল্পকাৰ লক্ষ্মীনাথ ফুকনে *"সমকালীন সমাজৰ কুসংস্কাৰক চিনাক্তকৰণ কৰি সমাজক সুস্থভাৱে পৰিচালিত হোৱাত"*[৪৭] পূৰ্ণ সহায়তা কৰিছিল। বহুখলপীয়া সমাজৰ সৰ্বাংগীণ বিকাশ তেওঁৰ কাম্য আছিল। সেয়েহে এক পৰ্যৱেক্ষকৰ দৃষ্টিৰে এলান্ধু সদৃশ ব্যৱস্থাবোৰক চিনাক্ত কৰি,

---

৪৭। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.১৫২

সেইসমূহক গল্পত তেওঁ ৰূপদান কৰাৰ প্ৰয়াস কৰিছিল। গল্পৰ জৰিয়তে উদঙাই দিয়া দিশসমূহৰ ভিতৰত উল্লেখযোগ্য কিছুমান হ'ল- ঘোচ্, ছদ্মবেশী কলামোদী, অল্পজ্ঞানীৰ টেঙৰালি, চাঁদা সংগ্ৰহৰ কলাবজাৰ, নগৰীয়া স্বাৰ্থপৰতা, অহৈতুক ইংৰাজী প্ৰীতি, আশ্ৰয়দাতাৰ লম্পট স্বভাৱ, জ্যেষ্ঠ ব্যক্তিৰ নিকৃষ্ট চিন্তা, শিক্ষিতক উপহাস ধনৱানক আগভাগ, বনিয়াৰ ফন্দি, তোষামোদ আৰু অভিসন্ধি, সংবাদপত্ৰৰ প্ৰচাৰমুখী সস্তীয়া যুক্তি চিন্তা, ৰাজনীতিকৰ মিথ্যাচাৰ আদি।

উল্লেখ্য যে, এনে বহু দিশ হাস্য-ব্যঙ্গৰ জৰিয়তে গল্পৰ মাজত উদঙাইদি এগৰাকী গল্পকাৰ হিচাপে লক্ষ্মীনাথ ফুকনে সামাজিক দায়ৱদ্ধতাৰহে পৰিচয় দিছে।

✦✦✦✦